Content includes AI-generated material

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, FEBRUARY 01, 2025 ■ শনিবাৰ, ১৮ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৩৫ Guwahati, Assam ।। মূল্যঃ এটকা

## ৰঙালাউ ৰপ্তানি, মৰিগাঁৱৰ অভিলেখ



বিতং বাতৰি ৬নং পৃষ্ঠাত

### এজন লোকক আটক, এজাহাৰ দাখিল

## দুলীয়াজানত বৃহৎ তেল চুৰি চক্ৰ উৎখাত, জব্দ হ'ল টেংকাৰ



ই-সংবাদ, দুলীয়াজান, ৩১ জানুৱাৰীঃ অইল ইণ্ডিয়া লিমিটেডৰ খাৰুৱা তেল পৰিবাহী পাইপৰ পৰা অভিনৱ কৌশলেৰে তেল চুৰি কৰি শেষাংশ ২ পৃষ্ঠাত



শিৱসাগৰত মে-ডাম-মে-ফি পালনৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, শিৱসাগৰ

## আজি সদনত নিৰ্মলাই দাখিল কৰিব বাজেট

নতুন দিল্লী, ৩১ জানুৱাৰীঃ শুকুৰবাৰৰ পৰা আৰম্ভ হ'ল মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ শেষাংশ ৪ পৃষ্ঠাত

## সাত বিধায়কৰ সংগ ত্যাগ, নতুন বিপদত 'আপ'

নতুন দিল্লী, ৩১ জানুৱাৰীঃ বিধানসভা নিৰ্বাচনলৈ মাজত আৰু মাত্ৰ শেষাংশ ২ পৃষ্ঠাত

### ষ্টেটাছ ছিম্বলৰ পৰা সাধাৰণ ফোনত পৰিণত আইফোন!

# ভাৰতত নিম্ন মধ্যবিত্তৰ হাতে হাতে এতিয়া আইফোন

■ ভাৰতীয় বজাৰত এপলৰ ফোনৰ বিক্ৰী চাৰিগুণলৈ বৃদ্ধি, এণ্ড্ৰইড ফোনৰ বিক্ৰীৰ হাৰ শীঘ্ৰেই হ্ৰাস পোৱাৰ সম্ভাৱনা



ই-সংবাদ বিশেষ, ৩১ জানুৱাৰীঃ ভাৰতৰ স্মাৰ্টফোন বজাৰৰ চিত্ৰ সলনি কৰিছে এপলে। এসময়ত ধনী শ্ৰেণীৰ বাবে ষ্টেটাছ চিম্বল হিচাপে পৰিচিত আইফোন এতিয়া মধ্যবিত্তৰ হাতত হৈ পৰিছে এক শেষাংশ ৪ পৃষ্ঠাত

## হেজটেগ আৰু! বাৰ্থডে পাতিবলৈ বিশেষ নিৰ্দেশ

ই-সংবাদ, ৩১ জানুৱাৰীঃ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শেষাংশ ২ পৃষ্ঠাত

## ৰাজ্যজুৰি মে-ডাম-মে-ফি

ই-সংবাদ মহানগৰ সেৱা, ৩১ জানুৱাৰীঃ প্ৰতি বছৰৰ দৰে এইবাৰো ৪ পৃষ্ঠাত

## জ্যেষ্ঠ সাংবাদিক ৰঞ্জিত কুমাৰ বৰাৰ আকস্মিক বিয়োগ



ই-সংবাদ, ৩১ জানুৱাৰীঃ গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা এখন দৈনিক বাতৰি কাকতৰ উপ-সম্পাদক ৰঞ্জিত বৰাৰ আকস্মিক শেষাংশ ৫ পৃষ্ঠাত

## ৫ জনগোষ্ঠীক লৈ কেবিনেটত বিশেষ সিদ্ধান্ত হিমন্ত বিশ্ব চৰকাৰৰ

ই-সংবাদ, ৩১ জানুৱাৰীঃ আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত জনতা ভৱনত অনুষ্ঠিত হয় কেবিনেট বৈঠক। কেবিনেট বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে সংবাদমেল সম্বোধন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ কথা ৫ পৃষ্ঠাত চাওক

## কোকৰাঝাৰত সাহিত্য উৎসৱ

4th কক্ৰাঝাৰ LitFest 2025

### দেশ-বিদেশৰ সাহিত্যিক-কবিৰ অংশগ্ৰহণৰে বিশেষ হৈ পৰিব গৌৰাঙৰ পাৰ

ই-সংবাদ, কোকৰাঝাৰ, ৩১ জানুৱাৰীঃ শান্তিৰ বাৰ্তাৰে মানুহ, সংস্কৃতি আৰু সাহিত্যৰ মণিকাঞ্চন সংযোগেৰে ৩ পৃষ্ঠাত

### সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন

## উখল-মাখল হ'ল পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰ



ই-সংবাদ, বৰপেটাৰোড, ৩১ জানুৱাৰীঃ আজিৰে পৰা আৰম্ভ হৈছে অসম সাহিত্য সভাৰ ৭৭ সংখ্যক দ্বি-বাৰ্ষিক পাঠশালা অধিৱেশনৰ। ৩ পৃষ্ঠাত চাওক


## সিজুবাৰীৰ ৰাজপথত চলে মুকলি গুণ্ডাৰাজ!

### প্ৰায় ২৪ ঘণ্টাৰ অন্তত সাংবাদিকক আক্ৰমণ চলোৱা গুণ্ডাৰ আত্মসমৰ্পণ

ই-সংবাদ, ৩১ জানুৱাৰীঃ ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদৰ পোহনীয়া গুণ্ডাই সাংবাদিক মৃণাল কুন্দুছক বৰ্বৰভাৱে প্ৰহাৰ কৰাৰ ঘটনাই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ মাজতে কালি নিশা আক্ৰমণকাৰী মুখ্য দুৰ্বৃত্ত বিকি আহমেদে হাতীগাঁও আৰক্ষী থানাত আত্মসমৰ্পণ কৰিছে। শেষাংশ ৬ পৃষ্ঠাত

### কংগ্ৰেছে দাঙি ধৰিলে ৰিপ'ৰ্ট কাৰ্ড

## মোদী চৰকাৰৰ নীতিয়ে বিধ্বস্ত কৰিছে দেশৰ অৰ্থনীতি!



নতুন দিল্লী, ৩১ জানুৱাৰীঃ আজিৰে পৰা আৰম্ভ হৈছে সংসদৰ বাজেট অধিৱেশন। দুটা পৰ্যায়ত ৫ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হেজটেগ আৰু! বাৰ্থডে পাতিবলৈ

জন্মদিনক লৈ বিজেপি দলৰ ভিতৰে-বাহিৰে দেখা গৈছে এক উথপথপ পৰিৱেশ। কাইলৈ মুখ্যমন্ত্ৰীৰ জন্মদিন বিস্তৃত কাৰ্যসূচীৰে পালন কৰিবলৈ সাজু হৈছে অসম ৰাজ্যিক বিজেপি। বিজেপিৰ নেতা-কৰ্মীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন কেনেদৰে পালন কৰিব লাগিব তাকে লৈ এক নিৰ্দেশনা প্ৰকাশ কৰিছে ৰাজ্যিক বিজেপিয়ে। বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে জাৰি কৰা নিৰ্দেশনা যোগে কিছু নীতি-নিৰ্দেশনা প্ৰকাশ কৰিছে। বিজেপিৰ বুথ সভাপতিৰ পৰা আৰম্ভ কৰি সকলো স্তৰৰ নেতাই এই নিৰ্দেশনা পালন কৰিবলৈ বাধ্য। 'অনিৰুদ্ধ উন্নয়ন যাত্ৰাৰ এদিন' শীৰ্ষক দিনজোৰা কাৰ্যসূচীৰে হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন পালন কৰিব লাগিব বিজেপিৰ সৰ্বস্তৰৰ নেতাই। মুখ্যমন্ত্ৰীৰ ওপজা দিনটোত পুৱাই প্ৰথমে বিজেপিৰ বুথ সভাপতিৰ পৰা আৰম্ভ কৰি ৰাজ্যিত শীৰ্ষ নেতাই বৃদ্ধাশ্ৰম, অনাথ আশ্ৰাম, অনাথ শিশু আৰু হাস্পতালৰ ৰোগী আদিক ফলমূল বিতৰণ কৰিব লাগিব। তাৰ পিছতে কৰিব লাগিব স্বচ্ছতা অভিযান। তৃতীয়টো কাৰ্যসূচী অনুসৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে সামাজিক মাধ্যমযোগে এক প্ৰচাৰ অনুষ্ঠান অনুষ্ঠিত কৰিব লাগিব বিজেপিৰ নেতৃত্বত থকা সকলো কৰ্মকৰ্তাই। চতুৰ্থটো কাৰ্যসূচী হৈছে ৰাজ্যৰ প্ৰভাৱশালী লোকৰ দ্বাৰা মুখ্যমন্ত্ৰীৰ ব্যক্তিত্ব, নেতৃত্ব, সৰ্বাংগীন বিকাশ, পদক্ষেপসমূহক লৈ মন্তব্য সংগ্ৰহ কৰি সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰিব লাগিব। পঞ্চমটো কাৰ্যসূচী হৈছে বুথ সভাপতিৰ পৰা আৰম্ভ কৰি সকলো স্তৰৰ নেতাই হিমন্ত বিশ্ব শৰ্মাৰ দিনত গ্ৰহণ কৰা কাম-কাজ, পদক্ষেপসমূহ সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰিব লাগিব। শেষৰটো কাৰ্যসূচী হৈছে হেচটেগএইচবিএছ লিখি সামাজিক মাধ্যমত সকলো স্তৰৰ নেতাই প্ৰচাৰ কৰিব লাগিব। যাতে মুখ্যমন্ত্ৰীৰ জন্মদিনটোৰ কথা সামাজিক মাধ্যমত চৰ্চিত হয়। এনেদৰেই মুখ্যমন্ত্ৰীৰ ওপজা দিন পালন কৰিবলৈ কঠোৰ নিৰ্দেশনা প্ৰদান কৰিছে অসম ৰাজ্যিক বিজেপিয়ে। মুখ্যমন্ত্ৰীৰ এনে তিনিদিনীয়া জন্মদিন উদযাপনক লৈ নেটিজেনে কটাক্ষও কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাত বিধায়কৰ সংগ ত্যাগ, নতুন

কেইটামান দিন। এনে পৰিস্থিতিত নিৰ্বাচনী ধামখুমীয়াৰ মাজতে বিসম্বাদৰ সূত্ৰপাত ঘটিছে দিল্লীৰ শাসকীয় আম আদমী পাৰ্টিত। সমাগত নিৰ্বাচনত দলীয় টিকট লাভ নকৰাৰ পিছতে দলৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ বিৰুদ্ধে বিষোদগাৰ প্ৰকাশ কৰি পদত্যাগ কৰিছে ছয়জনকৈ বিধায়কে। তদুপৰি আপ নীতি-আদৰ্শৰ পৰা ফালৰি কটাৰ লগতে কেজৰিৱালৰ বিৰুদ্ধে দুৰ্নীতিৰো বিস্ফোৰক অভিযোগ তুলিছে পদত্যাগী বিধায়ক কেইজনে। ছয়জনকৈ বিধায়কৰ একেলগে পদত্যাগে এতিয়া নিৰ্বাচনৰ ঠিক পূৰ্বে থৰকবৰক কৰিছে আম আদমী পাৰ্টিৰ ভেটি। দল ত্যাগ কৰা বিধায়কসকলৰ ভিতৰত আছে দুবাৰৰ বিধায়ক ৰাজেশ ঋষি, কস্তুৰবা নগৰৰ বিধায়ক মদন লাল, মেহৰৌলিৰ বিধায়ক নৰেশ যাদৱ, ত্ৰিলোকপুৰীৰ বিধায়ক ৰোহিত কুমাৰ, পালামৰ বিধায়িকা ভাৱনা গৌড়, বিজৱাসনৰ বিধায়ক ভূপেন্দ্ৰ সিং জুন আৰু আদৰ্শ নগৰৰ বিধায়ক পৱন শৰ্মা। ত্ৰিলোকপুৰীৰ বিধায়ক ৰোহিত কুমাৰ মেহৰাওলিয়াই এক্সত পোষ্ট কৰি লিখিছে, "যিসকলে কেৱল বাবা চাহেব আম্বেদকাৰৰ ছবি ব্যৱহাৰ কৰে কিন্তু তেওঁৰ আদৰ্শ অনুসৰণ নকৰে তেওঁলোকৰ সৈতে মোৰ সম্পৰ্ক শেষ! আজি মই আপৰ সকলো পদৰ পৰা পদত্যাগ কৰিছো।" মেহৰৌলীৰ বিধায়ক নৰেশ যাদৱে এখোজ আগুৱাই গৈ কয়, "দুৰ্নীতিৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰতিশ্ৰুতিৰে আপ গঠন হৈছিল, কিন্তু এতিয়া তেওঁলোক দুৰ্নীতিত ডুব গৈছে।" পালামৰ বিধায়িকা ভাৱন গৌড়ে লিখিছে, "মোৰ আৰু কেজৰিৱাল বা আপৰ ওপৰত কোনো বিশ্বাস নাই, গতিকে মই দল ত্যাগ কৰিছো।" আনহাতে আদৰ্শ নগৰৰ বিধায়ক পৱন শৰ্মাই কেজৰিৱাল চৰকাৰৰ ওপৰত আক্ৰমণ চলাই কয়, "আম আদমী পাৰ্টি সততাৰ নীতিৰ পৰা সম্পূৰ্ণৰূপে বিচ্যুত হৈছে।" ইফালে, বিধায়ক কেইজনৰ পদত্যাগে আপ শিবিৰত চাপ বৃদ্ধি কৰিব বুলি ধাৰণা কৰা হৈছে। টিকট লাভ নকৰি আপৰ প্ৰতি অসন্তুষ্ট হৈ পৰা এই বিধায়ক কেইজনে নিৰ্বাচনৰ পূৰ্বে আন কোনো দলত যোগদান কৰিব পাৰে বুলিও এতিয়া সম্ভাৱনা ব্যক্ত কৰিছে ৰাজনৈতিক বিশ্লেষকসকলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুলীয়াজানত বৃহৎ তেল চুৰি চক্ৰ

ৰমৰমীয়া ব্যৱসায় চলাই থকা এটা বৃহৎ তেল চুৰি চক্ৰক দুলীয়াজান আৰক্ষী আৰু অইল নিৰাপত্তাৰক্ষীয়ে উৎখাত কৰিবলৈ সক্ষম হয়। যোৱানিশা নিৰাপত্তাৰক্ষী দলটোৰে যৌথ অভিযান চলাই দুলীয়াজান চহৰৰ কাষৰীয়া বৰুৱা তিনিআলিত জব্দ কৰিছে চোৰাং খাৰুৱা তেল কঢ়িওৱা এখন টেংকাৰ। ১২ হাজাৰ লিটাৰ চোৰাং খাৰুৱা তেলভৰ্তি টেংকাৰখন ভাদৈ পাঁচআলিৰ পৰা গুৱাহাটীৰ আমিনগাঁও অভিমুখে ৰাওনা হৈছিল বুলি আৰক্ষীৰ প্ৰাথমিক তদন্তত জানিব পৰা গৈছে। দুলীয়াজান আৰক্ষী আৰু অইল নিৰাপত্তাৰক্ষীয়ে এই সন্দৰ্ভত আগতীয়াকৈ সম্ভেদ পাই বৰুৱা তিনিআলিত খাপপিটি হাতেলোটে আটক কৰে গাড়ী চালকসহ টেংকাৰখন। ধৃত চালকজন গোৱালপাৰাৰ বেঞ্জামিন মাৰাক (৩৪) বুলি অভিযানকাৰী আৰক্ষীয়ে জানিবলৈ দিছে। ইফালে, আজি পুৱাৰ ভাগত আৰক্ষীয়ে ধৃত চালকজনক লগত লৈ ভাদৈ পাঁচআলিৰ পৰা প্ৰায় পাঁচশ মিটাৰ নিলগৰ এটা ব্যৱসায়িক প্ৰতিষ্ঠানত এই তেল চুৰিৰ সমগ্ৰ ব্যৱস্থাপনা ধৰা পেলায়। লোকচক্ষুৰ পৰা হাত সাৰিবলৈ দুলীয়াজান-ডিগবৈ পথৰ কাষত এটা ফেব্ৰিকেশ্যন উদ্যোগ আৰু কাৰ ৱাচিং চেণ্টাৰ গঢ়ি তুলি অতি কৌশলেৰে এই ব্যৱসায়িক প্ৰতিষ্ঠানতে তেল চুৰিৰ সাম্ৰাজ্য গঢ়ি তুলিছিল। অইল নিৰাপত্তাৰক্ষী আৰু আৰক্ষী সূত্ৰই জানিবলৈ দিয়া অনুসৰি নিৰঞ্জন হাজৰিকা আৰু অমিত বৰশইকীয়া নামৰ লোক দুজনে এই সমগ্ৰ চুৰি চক্ৰটোৰ নিয়ন্ত্ৰণ কৰি আছে। অইল ইণ্ডিয়াৰ দুলীয়াজানস্থিত টেংকফাৰ্মৰ পৰা ডিগবৈ শোধনাগাৰলৈ প্ৰায় ৮ ফুট গভীৰতাৰে স্থাপন কৰা খাৰুৱা তেল পৰিবাহী বৃহৎ পাইপ লাইনডালত ভাল্ব সংযোগ কৰি এডাল সৰু পাইপেৰে ফেব্ৰিকেশ্যন উদ্যোগটোৰ ভিতৰলৈ সংযোগ স্থাপন কৰিছিল। উক্ত স্থানত আন এটা ভাল্ব স্থাপন কৰি চুৰি চক্ৰটোৱে টেংকাৰত খাৰুৱা তেল লোডিং কৰিছিল। এই সমগ্ৰ উদ্যোগটো বাহিৰৰ পৰা নেদেখাকৈ বৃহৎ বেৰা দিয়া আছিল, যাৰফলত ভিতৰত চলি থকা চুৰি কাৰ্যৰ বিৰুদ্ধে কোনো লোকে, সম্ভেদ পোৱা নাছিল। আজি আৰক্ষীৰ অভিযানৰ পিছতেই অইল ইণ্ডিয়াই ভাল্ব সংযোগ কৰা স্থান খনন কৰি পাইপ লাইনডাল মেৰামতি কৰি ভাল্বটো উঠাই দিয়ে। দুয়োটা ভাল্ব ইতিমধ্যে আৰক্ষীয়ে জব্দ কৰিছে। আজি ধৃত টেংকাৰ চালক বেঞ্জামিন মাৰাকক আৰক্ষীয়ে আদালতত হাজিৰ কৰাই তিনিদিনৰ বাবে নিজৰ জিম্মাত লয়। ইতিমধ্যে অইল নিৰাপত্তাৰক্ষীয়ে নিৰঞ্জন হাজৰিকা, অমিত বৰশইকীয়া আৰু বেঞ্জামিন মাৰাকৰ বিৰুদ্ধে থানাত এজাহাৰ দাখিল কৰিছে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত অব্যাহত ৰাখিছে যদিও এতিয়ালৈকে নিৰঞ্জন হাজৰিকা আৰু অমিত বৰশইকীয়াৰ সম্ভেদ লাভ কৰা নাই।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# উখল-মাখল হ'ল পাঠশালাৰ ভট্টদেৱ

আজি পুৱাৰ ভাগত নামঘৰৰ দ্বাৰ উন্মোচনেৰে অধিৱেশনৰ শুভাৰম্ভ কৰে বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ দেৱ অধিকাৰীয়ে। নামঘৰৰ বন্তি প্ৰজ্জ্বলন কৰে যতীন লাহনে আৰু গুৰু আসন প্ৰতিষ্ঠাপন কৰে দীনেশ পাটগিৰিয়ে। ইয়াৰ পিছতে ভট্টদেৱ ক্ষেত্ৰখন উদ্বোধন কৰে অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। মূল তোৰণ উদ্বোধন কৰে অসম সৌৰভ বঁটা প্ৰাপক বিশিষ্ট নাট্যশিল্পী কৃষ্ণ ৰায়ে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সত্ৰাধিকাৰ মথুৰা মোহন তালুকদাৰে আৰু বন্তি প্ৰজ্জ্বলন কৰে বীৰেণ দাসে। লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ধীৰেন্দ্ৰনাথ বৰ্মনে আৰু বন্তি প্ৰজ্জ্বলন কৰে অতুল কলিতাই। অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি পদ্মনাথ গোহাঞি বৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে ড° প্ৰকাশ শৰ্মাই আৰু বন্তি প্ৰজ্জ্বলন কৰে গোবিন্দ তালুকদাৰে। অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক শৰৎচন্দ্ৰ গোস্বামীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্জ্বলন কৰে ক্ৰমে বিশিষ্ট শিক্ষাবিদ মুৰাৰী মোহন দত্ত আৰু ৰামকৃষ্ণ তালুকদাৰে। কবি সন্মিলন উদ্বোধন কৰে নিবেদন দাস পাটোৱাৰীয়ে। কৈলাস মল্ল বৰুৱা সোঁৱৰণী গ্ৰন্থমেলাৰ দ্বাৰ উদঘাটন কৰে ড০ ধনপতি ডেকাই। গ্ৰন্থমেলাৰ মঞ্চ উদ্বোধন কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। ইয়াৰ পিছতে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰচনা কৰা 'অসম বিধান সভাত কামেশ্বৰ দাস' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট লেখক অঞ্জন শৰ্মাই। শিশুৰাম হাজৰিকা সোঁৱৰণী প্ৰদৰ্শনী দ্বাৰ উদঘাটন কৰে বিশিষ্ট শিক্ষাবিদ মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে। অধিৱেশনস্থলীত নিৰ্মিত বৃহৎ আকাৰৰ জাপিটো দৰ্শকৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীয়ে। অনুষ্ঠানত অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিৱ মুনীন্দ্ৰ শৰ্মা আৰু আমেৰিকা নিবাসী বিশিষ্ট বিজ্ঞানী ভাস্কৰ চৌধুৰীয়ে অতিথিৰূপে অংশগ্ৰহণ কৰে। আনহাতে কৰ্ণেল গুৰুপ্ৰসাদ দাস সোঁৱৰণী বিজ্ঞান মেলাৰ দ্বাৰ উদ্বোধন কৰে মন্ত্ৰী কেশৱ মহন্তই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভূষণ দেৱচৌধুৰীয়ে। জনগোষ্ঠীয় মঞ্চ আৰু গ্ৰাম্যাঞ্চল উদ্বোধন কৰে বিশিষ্ট ব্যৱসায়ী নিপন তালুকদাৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমিত সিঙে। অনুষ্ঠানত গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তয়ো অতিথিৰূপে অংশগ্ৰহণ কৰে। অধিৱেশনথলীত বজালীত উৎপাদিত থলুৱা সামগ্ৰীৰ বিক্ৰী কেন্দ্ৰ 'বজালী হাট' উদ্বোধন কৰে ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। উপেন্দ্ৰজিৎ শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে অসম কৃষি সামগ্ৰী বিপণন পৰিষদৰ অধ্যক্ষ মনোজ বৰুৱাই। নাট্যমঞ্চ উদ্বোধন কৰে শিল্পী পেঞ্চনাৰ ৰজনী পাটগিৰিয়ে। ভোজনালয় উদ্বোধন কৰে বিশিষ্ট ব্যৱসায়ী অনিন্দ শৰ্মাই। সাহিত্য সভা অধিৱেশনৰ মূল মঞ্চ উদ্বোধন কৰে বজালী জিলা আয়ুক্ত মৃদুল কুমাৰ দাসে। এই মঞ্চত সাহিত্য আলোচনা উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীয়ে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড০ উমেশ ডেকাই সঞ্চালনা কৰা অনুষ্ঠানত আলোচকৰূপে বক্তৃতা প্ৰদান কৰে নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ লীনা গোস্বামী আৰু আৰু বি এইচ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড০ হেমন্ত ডেকাই। আজি অনুষ্ঠানৰ লগত সংগতি ৰাখি মে-ডাম-মে-ফি উদযাপন কৰা হয়। ইপিনে আবেলি প্ৰতিনিধি শিবিৰ মুকলি কৰে কৰুণাকান্ত ভৰালীয়ে। ইয়াৰ পিছতে অসম সাহিত্য সভাৰ অষ্টম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাখন উদ্বোধন কৰে ড° কৰুণা মোহন শৰ্মাই। "ভ্ৰাম্যমাণ থিয়েটাৰ আৰু বজালী" বিষয়ক সাংস্কৃতিক সন্মিলন উদ্বোধন কৰে নৰেন পাটগিৰিয়ে। লক্ষ্মী দাসৰ সঞ্চালনাত অনুষ্ঠিত এই সন্মিলনত আলোচক হিচাপে অংশগ্ৰহণ কৰে নাট্য শিল্পী চন্দ্ৰকান্ত মুছাহাৰী, হেমেন শৰ্মা আৰু মণি বৰা দেৱীয়ে। বজালীৰ আৰক্ষী অধীক্ষক অজাগৌৰণ বসুমতাৰীয়ে সন্ধিয়া ৭ বজাত স্থানীয় শিল্পীৰ দ্বাৰা পৰিৱেশিত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে। প্ৰথমটো দিনতে অগণন ৰাইজৰ উপস্থিতিৰে উজ্বলি উঠিছে অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশন। অহা ৪ ফেব্ৰুৱাৰীলৈ বিভিন্ন কাৰ্যসূচীৰে উদযাপিত হ'ব অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশন।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কোকৰাঝাৰত সাহিত্য উৎসৱ

কাইলৈৰ পৰা অৰ্থাৎ এক ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰৰ গৌৰাং নদীৰ গাতে লাগি থকা বডোফা সাংস্কৃতিক প্ৰকল্পৰ প্ৰাংগনত অনুষ্ঠিত হ'ব চতুৰ্থতম কোকৰাঝাৰ সাহিত্য উৎসৱ। আয়োজক সমিতিয়ে ইতিমধ্যে চতুৰ্থতম কোকৰাঝাৰ সাহিত্য উৎসৱ উপলক্ষে আয়োজন সম্পূৰ্ণ কৰি তুলিছে আৰু কাইলৈ বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে কোকৰাঝাৰ সাহিত্য উৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰিব। বডোফা সাংস্কৃতিক প্ৰকল্পৰ মূল প্ৰেক্ষাগৃহত কাইলৈ ৰাতিপুৱা ১০:৪৫ বজাত বৰ্ণিল কাৰ্যসূচীৰে উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব য'ত নাগালেণ্ড বিধানসভাৰ অধ্যক্ষ সাৰিনগেইন লংকিউমেৰ উপস্থিত থাকিব। ইয়াৰোপৰি সাহিত্য একাডেমীৰ উপ সভাপতি প্ৰফেচৰ কুমুদ শৰ্মা, বিশিষ্ট সাংবাদিক মৃণাল তালুকদাৰ, ৰাজ্যসভাৰ সাংসদ ৰৌণগৌৱা নাৰ্জাৰী, লোজসভাৰ সাংসদ জয়ন্ত বসুমতাৰী, সাংসদ দিলীপ শইকীয়া, এবছৰ সভাপতি দ্বীপেন বড়ো, বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী, জ্ঞানপীঠ বঁটা বিজেতা দামোদৰ মৌওজো আদিকে ধৰি বহু বিশিষ্টই অংশ ল'ব। উল্লেখ্য যে তিনিদিনীয়া কোকৰাঝাৰ সাহিত্য উৎসৱত সৰ্বমুঠ ৫৫ টা অধিৱেশন অনুষ্ঠিত হ'ব। মূলত তিনিখন ৰভা ক্ৰমে বডোফা সাংস্কৃতিক প্ৰকল্পৰ মূল প্ৰেক্ষাগৃহ, মুকলি মঞ্চ আৰু প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অধিৱেশনসমূহ অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত চতুৰ্থতম কোকৰাঝাৰ সাহিত্য উৎসৱৰ আয়োজক সমিতিৰ কাৰ্যকৰী সভাপতি তথা সাহিত্যিক গোবিন্দ বড়োই কয় যে এইবেলি সাহিত্য উৎসৱৰ মূল বিষয়বস্তু হৈছে শান্তিৰ বাৰ্তাৰে মানুহ, সাহিত্য, সংস্কৃতিৰ মাজত সেতুবন্ধন গঢ়ি তোলা। দীৰ্ঘদিন ধৰি অব্যাহত থকা অশান্তময় অঞ্চলটোত শান্তি পৰিৱেশ প্ৰতিষ্ঠা কৰাটোৱেই হৈছে সাহিত্য উৎসৱৰ মূল লক্ষ্য আৰু উদ্দেশ্য। সাহিত্যৰ দ্বাৰা বিভিন্ন জাতি- জনগোষ্ঠীৰ মাজত মিলাপ্ৰীতি, ঐক্য, ভাতৃত্ববোধ গঢ়ি তুলিব পাৰি বুলি মন্তব্য কৰি গোবিন্দ বড়োই কয় যে তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া কোকৰাঝাৰ সাহিত্য উৎসৱত দেশ-বিদেশৰ শতাধিক কবি-সাহিত্যিকে অংশগ্ৰহণ কৰিব। ডেনমাৰ্ক, ইটালী, ইষ্টোনিয়া, শ্ৰীলংকা, দক্ষিণ কোৰিয়া, জাপান, ভূটান, নেপালৰ পৰা ৯গৰাকী, ৬৭ গৰাকী অসমৰ বাহিৰৰ আৰু ১১০ গৰাকী উত্তৰ-পূৰৱ কবি-সাহিত্যিকে অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। প্ৰণিধাবযোগ্য যে সাহিত্য উৎসৱত অংশগ্ৰহণ কৰিবলৈ অহা কবি- সাহিত্যিকসকলৰ অনুভৱক লৈ মত বিনিময় অনুষ্ঠান, প্ৰতিদিনে সন্ধিয়া 'জুইৰ উমালত কবিতাৰ সন্ধিয়া' শীৰ্ষক অনুষ্ঠানৰো আয়োজন কৰিছে আয়োজক সমিতিয়ে। আনহাতে সাহিত্য উৎসৱতে গৌৰাং নদী সাহিত্য বঁটা প্ৰদান কৰা হ'ব। কোকৰাঝাৰ সাহিত্য উৎসৱক লৈ ইতিমধ্যে গৌৰাং নৈৰ বাকৰি উদুলি-মুদুলি হৈ পৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি সদনত নিৰ্মলাই দাখিল কৰিব

প্ৰথমখন পূৰ্ণাংগ বাজেট অধিৱেশন। এই অধিৱেশনৰ দ্বিতীয় দিনটোত অৰ্থাৎ শনিবাৰে বাজেট দাখিল কৰিব বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। শুকুৰবাৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে আৰম্ভ বাজেট অধিৱেশনৰ পূৰ্বে সংসদ ভৱনত প্ৰৱেশ কৰি বিস্ফোৰক মন্তব্য কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰী মোদীয়ে। তেওঁ দাবী কৰে, "বিগত ১০ বছৰৰ ভিতৰত এইখন প্ৰথম বাজেট অধিৱেশন, য'ত কোনো ধৰণৰ বিদেশী ইন্ধন নাই।" তেওঁৰ এই মন্তব্যই ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, “২০১৪ চনৰ পৰা এতিয়ালৈকে যিমানবোৰ বাজেট অধিৱেশন হৈছে, তাৰ ঠিক এদিন বা দুদিন আগতে বিদেশৰ পৰা নানাভাৱে ইন্ধন যোগোৱাৰ চেষ্টা কৰা হৈছে। কিন্তু এইবাৰ প্ৰথমবাৰৰ বাবে এনে কোনো ঘটনা ঘটা নাই।” তেওঁৰ এই মন্তব্যৰ জৰিয়তে পৰোক্ষভাৱে বিৰোধী দলক লক্ষ্য কৰা বুলি ৰাজনৈতিক বিশ্লেষকসকলে অভিমত দিছে। প্ৰধানমন্ত্ৰীয়ে এই কথাও উল্লেখ কৰে যে, এইবাৰৰ বাজেট অধিৱেশনে ২০৪৭ চনত 'বিকশিত ভাৰত' গঠনৰ লক্ষ্যৰে এক নতুন আত্মবিশ্বাসৰ সৃষ্টি কৰিব। তেওঁ বিৰোধী দলবোৰক এই অধিৱেশন সুচাৰুৰূপে আগবঢ়াই নিবলৈ আহ্বান জনাই কয়, “বন্ধুসকল, আশা কৰোঁ এই বাজেট অধিৱেশন নতুন আশা আৰু নতুন সংকল্পৰে আৰম্ভ হ'ব।” উল্লেখ্য যে, এইবাৰৰ বাজেট অধিৱেশন ৩১ জানুৱাৰীৰ পৰা আৰম্ভ হৈ ১৪ এপ্ৰিললৈকে চলিব। অধিৱেশনখন দুটা ভাগত বিভক্ত হ'ব। প্ৰধানমন্ত্ৰীয়ে ইতিমধ্যে ইংগিত দিছে যে, এইবাৰৰ বাজেটত যুৱ প্ৰজন্ম আৰু মহিলাসকলৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। তেওঁ কয়, “মোৰ তৃতীয় বাৰৰ কাৰ্যকালৰ এইখন প্ৰথম পূৰ্ণাংগ বাজেট। মই দৃঢ়ভাৱে ক'ব পাৰোঁ যে, ২০৪৭ চনত যেতিয়া দেশে স্বাধীনতাৰ ১০০ বছৰ পূৰ্ণ কৰিব, 'বিকশিত ভাৰত'ৰ লক্ষ্যও সফল হ'ব। বিশেষকৈ নাৰীশক্তি আৰু যুৱ প্ৰজন্মৰ উন্নয়নেই আমাৰ প্ৰধান লক্ষ্য হ'ব। দ্বিতীয় স্থানত থাকিব সংস্কাৰ আৰু পৰিৱৰ্তন।” মন কৰিবলগীয়া যে, এইবাৰৰ বাজেট অধিৱেশনৰ প্ৰতি সাধাৰণ নাগৰিক আৰু নিম্ন মধ্যবিত্ত লোকসকলে যথেষ্ট প্ৰত্যাশা ৰাখিছে। বিশেষকৈ মহিলা আৰু যুৱ প্ৰজন্মৰ বাবে বাজেটত কি ধৰণৰ পদক্ষেপ লোৱা হয়, সেয়া লক্ষ্যণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যজুৰি মে-ডাম-মে-ফি

আহোম সম্প্ৰদায়ৰ লোকসকলে ৰাজ্যৰ বিভিন্ন ঠাইত ধৰ্মীয় নীতি-নিয়ম আৰু সাংস্কৃতিক পৰম্পৰাৰে জনগোষ্ঠীটোৰ পবিত্ৰ মে-ডাম-মে-ফী উদ্‌যাপন কৰে। সমগ্ৰ উজনি অসমৰ লগতে ৰাজ্যৰ ৰাজধানী গুৱাহাটীতো শুকুৰবাৰৰ দিনটোত জনগোষ্ঠীটোৰ সৰ্ববৃহৎ পাৰ্বণ মে-ডাম-মে-ফী পালন কৰা হয়। সংশ্লিষ্ট দিনটোত আহোম সম্প্ৰদায়ৰ লোকসকলে পুলিন-পুথাও অৰ্থাৎ তেওঁলোকৰ উপৰি পুৰুষক স্মৰণ কৰি তেওঁলোকৰ আশিসেৰে নতুন উদ্যমৰে কৰ্মক্ষেত্ৰত অগ্ৰসৰ হ'বলৈ প্ৰাৰ্থনা কৰে। আহোম ৰাজ্যৰ ৰাজধানী ৰংপুৰ তথা বৰ্তমান শিৱসাগৰ জিলাৰ ঐতিহাসিক তলাতল ঘৰৰ বাকৰিত সম্পূৰ্ণ পৰম্পৰাগত ৰীতি-নীতিৰে আজি মে-ডাম-মে-ফী উদ্‌যাপন কৰা হয়। উক্ত অনুষ্ঠানত দিনজোৰা বিভিন্ন সাংস্কৃতিক আৰু ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ইফালে, চৰাইদেউ জিলাত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, চৰাইদেউ জিলা প্ৰশাসন আৰু বৃহত্তৰ কেন্দ্ৰীয় মে-ডাম্-মে-ফী উদযাপন সমিতিৰ সহযোগত জিলাখনৰ পি এম শ্ৰী সাপেখাটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কেন্দ্ৰীয়ভাৱে মে- ডাম- মে- ফী উদযাপন কৰা হয়। উল্লেখ্য যে চৰাইদেউ মৈদামে ইউনেস্কৰ দ্বাৰা বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্য্যাদা পোৱাৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে চৰাইদেউত মে- ডাম- মে- ফী পালন কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা উক্ত অনুষ্ঠানত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহন, যোৰহাট লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈ আৰু সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। গুৱাহাটী মহানগৰীৰ হাতীগাঁৱৰ নটবমা ছ্যুকাফা নগৰতো বৃহৎ আয়োজনেৰে মে-ডাম-মে-ফী পালন কৰা হয়। বিগত বহু বছৰ ধৰি গুৱাহাটীৰ আহোম সম্প্ৰদায়ৰ লোকসকলে একত্ৰিত হৈ বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফী পালন কৰি আহিছে। গুৱাহাটীৰ বিভিন্ন প্ৰান্তৰ লোকসকল আহি নটবমাৰ ছেং ৰেণ প্ৰাংগণত পৰম্পৰাগতভাৱে উপৰি পুৰুষক স্মৰণ কৰি এই উৎসৱৰ উদ্‌যাপন কৰে। উদ্‌যাপন সমিতিৰ সভাপতি নিতুল গগৈয়ে পতাকা উত্তোলন কৰাৰ লগতে পদ্মশ্ৰী বঁটা প্ৰাপক ড° যোগেন্দ্ৰ নাথ ফুকনে মৈদাম তৰ্পণ কৰা অনুষ্ঠানটিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰাজীৱ সন্দিকৈৰ লগতে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতত নিম্ন মধ্যবিত্তৰ হাতে হাতে

ছখৰ সামগ্ৰী তথা সাধাৰণ ফোন। মাৰ্কেট ৰিচাৰ্চ ফাৰ্মৰ প্ৰতিবেদন অনুসৰি, মাত্ৰ কেইবছৰমানৰ ভিতৰতে ভাৰতীয় স্মাৰ্টফোনৰ বজাৰত এক বৃহৎ পৰিৱৰ্তন হৈছে। ইতিমধ্যে ভাৰতত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি আইফোন বিক্ৰীৰ এক নজিৰ গঢ়িছে এপলে। উল্লেখ্য যে, ২০২৪ চনত ভাৰতত কেৱল আইফোনৰ জৰিয়তে কোম্পানীটোৱে প্ৰায় ১০ বিলিয়ন ডলাৰ ব্যৱসায়ত উপাৰ্জন কৰিছিল। ইএমআইৰ জৰিয়তে আইফোন ক্ৰয়ৰ সুবিধা সম্ভৱ হোৱাৰ পিছতে এতিয়া মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তৰ হাতে হাতে উপলব্ধ হৈ পৰিছে আইফোন। ফলস্বৰূপে ভাৰতত দ্ৰুতগতিত সম্প্ৰসাৰিত হৈছে এপলৰ বজাৰ। মন কৰিবলগীয়া যে, অসমতো ব্যাপকভাৱে বিয়পি পৰিছে আইফোন ক্ৰয়ৰ প্ৰৱণতা। বজাৰ গৱেষণা সংস্থা কাউণ্টাৰপইণ্টৰ মতে, ২০২০ চনত ভাৰতত মাত্ৰ ২৭ লাখ আইফোন বিক্ৰী হৈছিল। কিন্তু ২০২৪ চনত সেই সংখ্যা ১ কোটি ২৫ লাখলৈ বৃদ্ধি পাইছে। লক্ষ্যণীয় যে, দেশৰ স্মাৰ্টফোনৰ বজাৰ বিগত পাঁচ বছৰত মাত্ৰ ৭% বৃদ্ধি পোৱাৰ বিপৰীতে আইফোনৰ বিক্ৰী প্ৰায় চাৰিগুণ বৃদ্ধি পাইছে। বিশ্লেষকসকলৰ মতে, কোম্পানীটোৰ আক্ৰমণাত্মক বিপণন নীতি, ইএমআইৰ সুবিধা, আৰু সহজ বিত্তীয় বিকল্পসমূহ এই চাহিদা বৃদ্ধিৰ কাৰণসমূহৰ ভিতৰত অন্যতম। এপলৰ চিইঅ' টিম কুকে স্পষ্ট কৰি দিছে যে ভাৰত কেৱল কোম্পানীটোৰ বাবে এখন বৃহৎ বজাৰেই নহয়, এপলৰ অন্যতম গুৰুত্বপূৰ্ণ ৰপ্তানি কেন্দ্ৰলৈ পৰিণত হৈছে। কোম্পানীটোৰ পৰিকল্পনা অনুসৰি অতি শীঘ্ৰে ভাৰতত চাৰিখন নতুন এপল ষ্টৰ মুকলি কৰা হ'ব। কুকে আৰু কয় যে ২০২৪ চনৰ যোৱা তিনিমাহত আইফোন ভাৰতত সৰ্বাধিক বিক্ৰী হোৱা স্মাৰ্ট আছিল। বিশেষজ্ঞসকলৰ মতে, ভাৰতীয় বজাৰত এপলৰ বৃদ্ধি আৰু কেইবছৰমানৰ বাবে অব্যাহত থাকিব। কোম্পানীটোৱে নতুন, তুলনামূলকভাৱে কম মূল্যৰ 'এছ ই' মডেল প্ৰৱৰ্তন কৰিব পাৰে, যিয়ে বজাৰত আৰু ডাঙৰ পৰিৱৰ্তন আনিব। ইয়াৰ উপৰিও এপলে ভাৰতীয় ভাষাত 'এপল ইনটেলিজেন্স'ৰ সংস্কৰণ আনিবলৈ প্ৰস্তুতি ইতিমধ্যে আৰম্ভ কৰিছে, যিয়ে এপলৰ সামগ্ৰীৰ প্ৰতি অধিক ভাৰতীয় গ্ৰাহকক আকৰ্ষণ কৰিব। ইফালে আইফোনৰ প্ৰতি অসমতো ক্ৰমাগতভাৱে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে প্ৰৱণতা। চখ পূৰণ কৰিবলৈ বহু নিম্ন মধ্যবিত্তই সূদলৈ টকা লৈও আইফোন ক্ৰয় কৰাৰ দৰে ঘটনাও সংঘটিত হৈছে অসমত। আইফোনৰ প্ৰতি বৃদ্ধি পোৱা প্ৰৱণতাৰ পৰিপ্ৰেক্ষিততে এপলে আইফোনৰ শেহতীয়া ছিৰিজ আইফোন-১৬ মুকলি কৰাৰ পিছত সমগ্ৰ ভাৰতৰ এপল ষ্টৰত গ্ৰাহকৰ দীঘলীয়া শাৰী প্ৰত্যক্ষ হৈছিল। আইফোনৰ প্ৰতি এনে আকৰ্ষণে অভিভাৱকৰ মাজতো উদ্বেগ সৃষ্টি কৰিছে।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী চৰকাৰৰ নীতিয়ে বিধ্বস্ত কৰিছে

অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনৰ দ্বিতীয় দিনা অৰ্থাৎ শনিবাৰে সংসদৰ মজিয়াত বাজেট দাখিল কৰিব কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। কিন্তু এই বাজেট দাখিলৰ পূৰ্বে মোদী চৰকাৰৰ অৰ্থনৈতিক নীতিক তীব্ৰ সমালোচনা কৰি সৰৱ হৈ পৰিল কংগ্ৰেছ। বৃহস্পতিবাৰে এক প্ৰতিবেদন প্ৰকাশ কৰি দেশৰ প্ৰধান বিৰোধী দলটোৱে কয় যে ভাৰত ধীৰে ধীৰে 'মধ্যম আয়ৰ ফান্দ'ত আৱদ্ধ হৈ পৰিছে, যিয়ে বিশ্বৰ বজাৰত ভাৰতক অপ্ৰতিযোগিতামূলক আৰু অদক্ষ কৰিব। এই প্ৰতিবেদনৰ জৰিয়তে কংগ্ৰেছে মোদী চৰকাৰৰ বিত্তীয় ব্যৱস্থাপনাৰ ব্যৰ্থতাক সমালোচনা কৰে। বৃহস্পতিবাৰে এক সংবাদমেলত 'ৰিয়েল ষ্টেট অৱ দ্য ইকনমি' শীৰ্ষক প্ৰতিবেদন প্ৰকাশ কৰে কংগ্ৰেছ নেতা তথা প্ৰাক্তন বিত্তমন্ত্ৰী পি চিদাম্বৰমে। উল্লেখ্য যে, এই প্ৰতিবেদনখন প্ৰস্তুত কৰিছে এআইচিচিৰ গৱেষণা বিভাগৰ অধ্যক্ষ এম ভি ৰাজীৱ গৌড়া আৰু তেওঁৰ দলে। দিল্লীৰ এআইচিচিৰ কাৰ্যালয়ত সংবাদমেলত এই প্ৰতিবেদন প্ৰকাশ কৰি চিদাম্বৰমে কয় যে অৰ্থনীতি যে মন্দাৱস্থাৰ মাজেৰে পাৰ হৈ গৈছে, সেই কথাটো অস্বীকাৰ কৰিব নোৱাৰি। চৰকাৰে যিমানেই চেষ্টা নকৰক কিয় পৰিস্থিতি স্পষ্ট। বিগত বছৰৰ তুলনাত দেশৰ বৃদ্ধি ২% পৰ্যন্ত হ্ৰাস পাব পাৰে। তেওঁ লগতে কয়, "কোনো নতুন চাকৰিৰ সৃষ্টি হোৱা নাই, মজুৰি স্থবিৰ হৈ পৰিছে, আনহাতে খাদ্য, শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ মুদ্ৰাস্ফীতি দুটা সংখ্যাত উপনীত হৈছে। তীব্ৰ বৈষম্যৰ সন্মুখীন হৈছে ভাৰতীয় অৰ্থনীতি। দেশৰ প্ৰায় ৫০% নসাধাৰণে প্ৰতিদিনে মাত্ৰ ১০০-১৫০ টকাৰে জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈছে।" কংগ্ৰেছে দাবী কৰিছে যে চৰকাৰী হিচাপ অনুসৰি ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতৰ জিডিপি বৃদ্ধি ৬.৪% হ'ব বুলি অনুমান কৰা হৈছে যদিও দেশৰ জনগাঁথনিগত সুবিধা ব্যৱহাৰ কৰিবলৈ কমেও ৮% বৃদ্ধি বজাই ৰখাটো গুৰুত্বপূৰ্ণ। ৰাজীৱ গৌড়াৰ ভাষাত, "২০১৬ চনৰ বিমুদ্ৰাকৰণ আৰু তাৰ পিছত জিএছটি প্ৰৱৰ্তনৰ পিছৰে পৰা অৰ্থনীতি পতনৰ দিশে আগবাঢ়িছে। ইয়াক 'মোদী মন্দাৱস্থা' বুলি কোৱাটো অধিক উপযুক্ত হ'ব। এতিয়া ৬% বৃদ্ধিৰ হাৰ স্বাভাৱিক হৈ পৰিছে। এই পৰিস্থিতিত ভাৰতে 'মধ্যম আয়ৰ ফান্দ'ৰ দিশে আগবাঢ়িছে, যিয়ে আমাক বিশ্ব বজাৰত অপ্ৰতিযোগিতামূলক আৰু অদক্ষ কৰি তুলিব।" সংবাদমেলত কংগ্ৰেছে দাবী কৰে যে এই অৰ্থনৈতিক বিফলতাৰ বাবেই দেশৰ লাখ লাখ মানুহৰ বাবে ন্যায়, সমৃদ্ধি আৰু সমতাৰ সাংবিধানিক সপোন লুকাই থাকিব। ইফালে প্ৰতিবেদনত কোৱা হৈছে, "মোদী চৰকাৰ মাত্ৰ কেইজনমান কৰ্পৰেট বন্ধুৰ স্বাৰ্থ ৰক্ষা কৰাত ব্যস্ত। ২০১৯ চনত বৃহৎ কৰ্পৰেট কৰ কৰ্তনৰ কথা ঘোষণা কৰা হৈছিল যদিও ইয়াৰ বিনিময়ত ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহে নতুন বিনিয়োগৰ ক্ষেত্ৰত আগবাঢ়িব পৰা নাই। ইন্ধনৰ বোজা আৰু কঠোৰ জিএছটি কৰ ব্যৱস্থাই এতিয়াও সাধাৰণ মানুহ আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলক চেপি ধৰিছে।" প্ৰতিবেদনত এই কথাও উল্লেখ কৰা হৈছে যে অৰ্থনৈতিক বিকাশৰ প্ৰথম চৰ্ত হ'ল সমস্যাসমূহ স্বীকাৰ কৰা, কিন্তু চৰকাৰে সদায় অস্বীকাৰৰ নীতি গ্ৰহণ কৰি আহিছে। পি চিদাম্বৰমে কয়, "যেতিয়াই বিপদৰ কথা কোৱা হয়, তেতিয়াই ইয়াক দমন কৰাৰ চেষ্টা কৰা হৈছে। এই প্ৰতিবেদনে বাস্তৱক স্পষ্ট কৰিব বিচাৰিছে যাতে ভাৰতে ভৱিষ্যতে সমৃদ্ধিশালী আৰু সৰ্বাংগীন বৃদ্ধিৰ পথলৈ ঘূৰি আহিব পাৰে।" উল্লেখ্য যে, কংগ্ৰেছৰ প্ৰতিবেদনত দেশৰ অৰ্থনৈতিক সংকটৰ বিভিন্ন দিশৰ বিশদ বিৱৰণ দিয়া পৰিলক্ষিত হয়। এই প্ৰতিবেদনত সংস্থাপনৰ অভাৱ, অসমান জিডিপি বৃদ্ধি আৰু মন্থৰতা, আয় স্থবিৰতা, ঘৰুৱা খৰচ হ্ৰাস, আৰু সঞ্চয় হ্ৰাস আদি বিষয় অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ উপৰিও উত্থাপিত হৈছে উৎপাদন উদ্যোগৰ অৱনতি, বাণিজ্য আৰু বিনিয়োগৰ পতন, কল্যাণমূলক আঁচনিৰ অৱনতি ঘটা অৱস্থা, এম জি এনৰেগাৰ ওপৰত আক্ৰমণ, কৃষি সংকট আৰু কৃষকৰ দুৰ্দশা, মূল্যবৃদ্ধি, ক্ৰ'নি পুঁজিবাদ, অত্যাৱশ্যকীয় তথ্য লুকুৱাই ৰখা আৰু ৰিজাৰ্ভ বেংককে ধৰি কেইবাটাও প্ৰতিষ্ঠানৰ ওপৰত বিজেপিৰ 'নিয়ন্ত্ৰণ নীতি'। তদুপৰি প্ৰতিবেদনত মোদী চৰকাৰৰ ৰাজনৈতিক ধন সংগ্ৰহৰ কৌশল সন্দৰ্ভতো বিস্ফোৰক অভিযোগ উত্থাপন কৰা হৈছে। কোৱা হৈছে, "বিজেপিয়ে নিৰ্বাচনী বণ্ড আঁচনিৰ জৰিয়তে অস্বচ্ছ ধন সংগ্ৰহ কৰিছে। উচ্চতম ন্যায়ালয়ে যেতিয়া এই আঁচনিৰ তথ্য প্ৰকাশৰ নিৰ্দেশ দিছিল, তেতিয়া স্পষ্ট হৈ পৰিছিল যে আয়কৰ বিভাগৰ অভিযানৰ জৰিয়তে কেইবাটাও কোম্পানীয়ে বিজেপিক দান দিবলৈ বাধ্য হৈছিল। এই প্ৰতিবেদন প্ৰকাশ কৰি কংগ্ৰেছে বাজেট দাখিলৰ পূৰ্বে মোদী চৰকাৰৰ বিত্তীয় নীতিৰ ওপৰত আক্ৰমণ চলায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জ্যেষ্ঠ সাংবাদিক ৰঞ্জিত কুমাৰ বৰাৰ

মৃত্যুত শোকৰ ছাঁ পৰিছে। কালি নিজ কাৰ্যালয়তে সুকলমে দায়িত্ব সম্পন্ন কৰি থকাৰ সময়তে হঠাতে অসুস্থ হৈ পৰাত সহকৰ্মীসকলে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰিছিল যদিও নিশা ৰঞ্জিত বৰাই মৃত্যুক আকোৱালি লয়। 'নিয়মীয়া বাৰ্তা' কাকতৰ উপ-সম্পাদক হিচাপে কাম কৰি আছিল প্ৰয়াত বৰাই। মৃত্যুৰ সময়ত বৰাই পত্নীৰ লগতে মাতৃ আৰু ভাতৃক ইহসংসাৰত এৰি থৈ যায়। নামনি অসমৰ বিজনীৰ বাসিন্দা আছিল বৰা। 'অসমীয়া প্ৰতিদিন' কাকতত বঙাইগাঁৱৰ সংবাদদাতা হিচাপে কাম কৰিছিল। পিছলৈ গুৱাহাটীলৈ আহি কেইবাটাও সংবাদ প্ৰতিষ্ঠানত দায়িত্ব সহকাৰে নিজ কাৰ্য সম্পাদন কৰিছিল। পৰৱৰ্তী সময়ত 'নিয়মীয়া বাৰ্তা' কাকতৰ সৈতে জড়িত হৈ উপ-সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰি আছিল। জানিব পৰা মতে, সাংবাদিকগৰাকী দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাত ভুগি আছিল। তাৰ মাজতে কাৰ্যালয়লৈ গৈ কামো কৰিছিল। দিনদিয়েক পূৰ্বে ভেটাপাৰাত যিটো ভাড়াঘৰত আছিল সেই ভাড়াঘৰটো সলনি কৰিবলৈ পূৰ্বৰ ঠাইৰ পৰা কিছু নিলগত অন্য এটা ভাড়াঘৰ ঠিক কৰিছিল। আজি আগৰ ভাড়াঘৰটো এৰি নতুন ভাড়াঘৰলৈ অহাৰ তাৰিখ ঠিক কৰিছিল। কিন্তু কালি পুৰণি ভাড়াঘৰটোৰ পৰা ওলাই গৈ আজি নতুন ঘৰটোলৈ স্থানান্তৰ হোৱাৰ পূৰ্বেই পৃথিৱীৰ মায়া এৰি গুছি গ'ল জ্যেষ্ঠ সাংবাদিকগৰাকী। জ্যেষ্ঠ সাংবাদিকগৰাকীৰ মৃত্যুত বিভিন্ন সাংবাদিক সংস্থা, ব্যক্তিবিশেষে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদ্গতি কামনা কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ জনগোষ্ঠীক লৈ কেবিনেটত বিশেষ

উল্লেখ কৰে। কেবিনেটে চৰকাৰী কৰ্মচাৰীৰ বাবে এক বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ কৰ্মচাৰীয়ে আপোন ঘৰ আঁচনিৰ জৰিয়তে ৩০ লাখ টকালৈ ঋণ ল'ব পাৰিব। ৩৭,২২৭ গৰাকী কৰ্মচাৰীয়ে ১৫ লাখৰ পৰা ৩০ লাখ টকাৰ ঋণ ল'ব পাৰিব। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান নগৰীয়া আঁচনিৰ অনুমোদন জনাইছে। আঁচনিৰ অধীনত নগৰ অঞ্চলৰ ২ লাখ মহিলাই ১০ হাজাৰ টকাকৈ চিট মানি আৰু ভৱিষ্যতে বেংকৰ ঋণ পাব। পূৰ্বে গাঁৱৰ মহিলাসকলক ১০ হাজাৰকৈ টকাকৈ দিয়াৰ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান গ্ৰাম্যক প্ৰদানৰ সিদ্ধান্ত লৈছে। লগতে আন গুৰুত্ব সিদ্ধান্ত গ্ৰণ কৰে ড০ শৰ্মা কেবিনেটে। মিছন বসুন্ধৰা পৰ্টেলত আবেদনৰ সময়সীমা ১৫ ফেব্ৰুৱাৰীলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লয়। মিছন বসুন্ধৰাত আবেদন কৰিবলৈ অনুসূচিত জনজাতি-জাতি, চাহ জনগোষ্ঠী আৰু গোৰ্খাসকলে তিনিটা প্ৰজন্মৰ প্ৰমাণ দিব নালাগে। কোঁচ-ৰাজবংশী, মৰাণ, মটক, চুতীয়া আৰু আহোম সম্প্ৰদায়ৰ লোকসকলেও এই সুবিধা লাভ কৰিব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# সিজুবাৰীৰ ৰাজপথত চলে মুকলি

বিকি আহমেদৰ সহযোগী খাইৰুল ইছলামক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে যদিও এজন অভিযুক্ত বৰ্তমানেও পলাতক বুলি জানিব পৰা গৈছে। পলাতক অভিযুক্তজনক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষী সক্ষম হোৱা নাই। নিশা গোপনে আহি দুয়োজনে আৰক্ষী থানাত হাজিৰ হোৱা বুলি জানিব পৰা গৈছে। মুখ্য দুষ্কৃতিকাৰী বিকি আহমেদ হৈছে ৰেকিবুদ্দিন আহমেদৰ ভতিজা। এইজন বিকিয়ে ৰেকিবুদ্দিন আহমেদৰ ঘৰৰ সন্মুখৰ পাৰ্কিঙত গাড়ী ৰখোৱাৰ বাবে মুখত ইটাৰে প্ৰহাৰ কৰিছিল নিৰীহ সাংবাদিক মৃণালক। মৃণালক প্ৰহাৰ কৰাই নহয়, কাণত ধৰি ক্ষমা খুজিবলৈকো বাধ্য কৰিছিল। প্ৰহাৰৰ দৃশ্য মোবাইলত আৱদ্ধ কৰি ছ'চিয়েল মিডিয়াতো ভাইৰেল কৰে দুষ্কৃতিকাৰীয়ে। তেনেকৈয়ো মৃণালক মানসিকভাৱে হাৰাশাস্তি কৰিছে বিকিয়ে। ঘটনাৰ ২৪ ঘণ্টা উকলি যোৱাৰ পিছতো গুৱাহাটী আৰক্ষীয়ে বিধায়ক ৰেকিবুদ্দিনৰ ঘনিষ্ঠ দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰিব নোৱাৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰেকিবুদ্দিনৰ মানুহ হোৱাৰ বাবেই আৰক্ষীয়ে গা এৰা দি তৎপৰ হোৱা নাছিল বুলিও অভিযোগ উঠিছিল। অৱশেষত নিশাৰ অন্ধকাৰত থানাৰ আলহী হয় বিকি আৰু খাইৰুল। বিধায়ক ৰেকিবুদ্দিন যদিও ছয়গাঁও সমষ্টিৰ বিধায়ক, কিন্তু ঘৰ সিজুবাৰীত। ৰেকিবুদ্দিন কংগ্ৰেছৰ বিধায়ক যদিও শাসকীয় পক্ষৰ কেইবাগৰাকী মন্ত্ৰীৰ ঘনিষ্ঠ হোৱাৰ সুবাদতে সিজুবাৰী এলেকাত তেওঁৰ একাংশ ঘনিষ্ঠই প্ৰায়ে গুণ্ডাগিৰি কৰি আহিছে। সিজুবাৰী এলেকাত সাধাৰণ গাড়ী এখন তেওঁলোকৰ কাষেৰে গ'লেও প্ৰহাৰ কৰিবলৈ খেদি আহে। যিটো সিজুবাৰী-ঘোঁৰামাৰা পথৰ দাঁতিত ৰেকিবুদ্দিন আহমেদৰ ঘৰ সেই ৰাস্তাটোৰ ৰেকিবুদ্দিন আহমেদৰ ঘৰ থকা এলেকাটোত মানুহে আইন-কানুন মানি নচলাৰ অভিযোগ দীৰ্ঘদিনীয়া। ৰাস্তাৰ মাজত মানুহে থিয় হৈ কথা পাতি থাকে। ৰাস্তাৰে অহা গাড়ীয়ে হৰ্ণ বজালে কেৰাহিকৈ চাই ৰাস্তা মুকলি কৰি নিদিয়ে। ৰাস্তা এৰি নিদিয়াত প্ৰায়ে অঞ্চলটোত হাই-কাজিয়া হোৱা পৰিলক্ষিত হয়। কেইবছৰমান পূৰ্বলৈ মাথো কেইঘৰমান খিলঞ্জীয়া গৰিয়াৰ বসতি থকা সেই এলেকাত এতিয়া হাজাৰ হাজাৰ লোকেৰে ভৰি পৰিছে। নিৰ্মাণ শ্ৰমিক, মৎস্য ব্যৱসায়ী, দোকানী আদিৰ লগতে মাটি কিনি হাজাৰ হাজাৰ লোকেৰে ভৰি পৰিছে। তেনে লোকসকলক লৈয়ে ৰেকিবুদ্দিনৰ একাংশ ঘনিষ্ঠই সন্ত্ৰাস চলি আহিছে এলেকাটোত। সাংবাদিক মৃণাল কুন্দুছক আক্ৰমণ কৰা মুখ্য অভিযুক্ত বিকি আহমেদ, খাইৰুল ইছলাম আদিয়ে বাৰে বাৰে গাৰ গৰম দেখুৱাই সন্ত্ৰাস চলোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে। ইপিনে আজি সাংবাদিক মৃণালে ছ'চিয়েল মিডিয়াযোগে এটা ভিডিঅ' মুকলি কৰি তেওঁ বৰ্তমান চিকিৎসাধীন যদিও সুস্থ বুলি কয়। লগতে কুন্দুছে যিঠাইত ঘটনা সংঘটিত হৈছিল সেয়া বিধায়ক ৰেকিবুদ্দিন আহমেদৰ ঘৰৰ চৌহদৰ সমীপত বুলি জানিবলৈ দিয়ে। যিহেতু বিধায়কজনৰ ঘৰত কেইবাটাও চিচিটিভি লগাই থোৱা আছে, সেই চিচিটিভিৰ দৃশ্য ৰাজহুৱা কৰিবলৈ আহ্বান জনায়। ৰেকিবুদ্দিন আহমেদে যিহেতু নিজকে সত্যৰ পক্ষত, সংবিধান, গণতন্ত্ৰ ৰক্ষাৰ কথা কয় সেয়েহে নিজকে সংবিধান, গণতন্ত্ৰৰ স্বাৰ্থত কাম কৰিবলৈ আহ্বান জনায়। ইফালে, মৃণাল কুন্দুছৰ সমৰ্থনত ৰাজ্যজুৰি সাংবাদিক সংস্থাসমূহ থিয় হোৱা পৰিলক্ষিত হয়। অভিযুক্তৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছিল সাংবাদিক সংগঠনসমূহে। ইপিনে বিধায়ক ৰেকিবুদ্দিন আহমেদে ঘটনাটোৰ প্ৰায় ২৪ ঘণ্টা পিছত সামাজিক মাধ্যমযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ ন্যায়ৰ পক্ষত বুলি কয়। মৃণাল কুন্দুছৰ বিৰুদ্ধে হোৱা অসৎ আচৰণক তীব্ৰ ভাষাৰে গৰিহণা দি হিংসাৰ আশ্ৰয় লৈ আইন নিজৰ হাতত লোৱাৰ অধিকাৰ কাৰো নাই বুলি কয়। ৰেকিবুদ্দিন আৰু কয় যে মোৰ সম্পূৰ্ণ বিশ্বাস যে প্ৰশাসনে এক ন্যায্য তদন্ত কৰি দায়ীসকলক জবাবদিহি কৰি উপযুক্ত শাস্তি প্ৰদান কৰাটো নিশ্চিত কৰিব। মই আন্তৰিকতাৰে কামনা কৰিলো মৃনাল কুন্দুছৰ আশু আৰোগ্য যাতে তেওঁ পুনৰ সাংবাদিকতাৰ কৰ্তব্যলৈ ঘূৰি যাব পাৰে। লগতে সকলোকে আইনক সন্মান জনাই সমাজত শান্তি আৰু সম্প্ৰীতি ৰক্ষাৰ বাবে একেলগে কাম কৰিবলৈ আহ্বান জনালো। দোষীয়ে শাস্তি লাভ কৰাৰ ক্ষেত্ৰত আমি প্ৰশাসনক সহযোগিতা কৰিছো আৰু কৰি যাম। আইন বিৰোধী কাৰ্য সংঘটিত কৰা কোনো ব্যক্তিকে আমি প্ৰশ্ৰয় নিদিও। ৰাজনৈতিক কাৰণত দিল্লীত থকাৰ বাবে সাংবাদিকগৰাকীক ব্যক্তিগতভাৱে সাক্ষাৎ কৰিব নাই পৰা যদিও চিকিৎসাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সহযোগিতা মোৰ তৰফৰ পৰা থাকিব। সংবাদ মাধ্যম আৰু সংবাদকৰ্মীসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত আমি দায়বদ্ধ।

# ৰঙালাউ ৰপ্তানিৰে অভিলেখ ৰচিছে মৰিগাঁৱৰ ৰজামায়ঙৰ কৃষকে

**ই-সংবাদ, লাহৰীঘাট, ৩১ জানুৱাৰীঃ** ৰঙালাউ ৰপ্তানিৰ ক্ষেত্ৰত অভিলেখ ৰচি অসমৰ কৃষিখণ্ডলৈ এক অত্যন্ত উৎসাহজনক আৰু সুখবৰ কঢ়িয়াই আনিছে মৰিগাঁও ৰজামায়ঙৰ একাংশ কৃষকে। ধাৰাবহিকতা অক্ষুণ্ণ ৰাখি বৃহস্পতিবাৰে ৰজামায়ঙৰ খোলাভূঞাৰ পৰা উৰিষ্যা-বেংগল সীমান্তৰ পাঞ্চকোৰালৈ প্ৰায় ৩৫ মেট্ৰিক টন ৰঙালাউ ৰপ্তানি কৰা হয়। জিলা কৃষি বিষয়া অশোক কুমাৰ শৰ্মাৰ উপস্থিতিত ৰজামায়ং কৃষি চক্ৰৰ অন্তৰ্গত শিলডুবী, গৰৈমাৰী, বৰদিয়া অঞ্চলৰ কৃষকসকলৰ দ্বাৰা উৎপাদিত ৰঙালাউসমূহ প্ৰতিকেজি প্ৰায় ৬ টকা দৰত উৰিষ্যা-বেংগল সীমান্তৰ পাঞ্চকোৰালৈ ৰপ্তানি কৰা হয়। মৰিগাঁৱত উৎপাদিত ৰঙালাউে ৰাষ্ট্ৰীয় বজাৰ দখল কৰাৰ লগতে কৃষক ৰাইজক অধিক উৎসাহিত কৰিছে। মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আৰম্ভ কৰা ৰঙালাউ খেতিয়ে স্থানীয় তথা অসমৰ বজাৰত সমাদৰ লাভ কৰাৰ পিছতেই আজি কৃষকসকলৰ উৎপাদিত ৰঙালাউ ৰাষ্ট্ৰীয় বজাৰলৈ ৰপ্তানি কৰি



আনন্দ প্ৰকাশ কৰাৰ লগতে ৰঙালাউ খেতিৰ দ্বাৰা অধিক স্বাৱলম্বী হ'ব পাৰিব বুলি মত প্ৰকাশ কৰে। প্ৰগতিশীল কৃষকসকলে কৃষি বিভাগৰ সহযোগত অৰ্জুনা আৰু ১৩৭ জাতৰ ৰঙালাউ খেতি কৰি উৎপাদিত ফচলেৰে লাভৰ মুখ দেখিবলৈ সক্ষম হৈছে। ইতিমধ্যে ৰজামায়ং কৃষি চক্ৰৰ অধীনৰ ভিন্ন প্ৰান্তৰ পৰা ধাৰাবাহিকভাৱে ৰঙালাউ ৰপ্তানি কৰি কৃষকসকলে চমক সৃষ্টি কৰাৰ লগতে কৃষি খণ্ডলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে।

# শিৱসাগৰৰ ভিন্ন প্ৰান্তত মে-ডাম-মে-ফি উদযাপন

**ই-সংবাদ, শিৱসাগৰ,৩১ জানুৱাৰীঃ** আজি পৱিত্ৰ মে-ডাম-মে-ফি। পুৰাতন ৰীতি-নীতিৰে পুলিন পুথাও তথা পূৰ্বপুৰুষসকলক স্মৰণ কৰি শিৱসাগৰতো আজি টাই আহোম জনগোষ্ঠীয় লোকসকলৰ উদ্যোগত উদযাপন কৰা হয় মে-ডাম-মে-ফী। শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰৰ চৌহদ, বৰ্ডিং খেলপথাৰ, চেংমুন বুঢ়াগোঁহাই মৈদামস্থলী, বেতবাৰীৰ খাটপথাৰস্থিত বৰপাত্ৰ গোঁহাই ডাঙৰীয়া সকলৰ মৈদামস্থলী, বাঢ়েটিঙকে ধৰি ভিন্ন প্ৰান্তত উদযাপন কৰা হয় মে ডাম মে ফী। ঐতিহাসিক তলাতল ঘৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে মে-ডাম-মে-ফি উদযাপন কৰা হয়। পুৱা পৱিৰেশ নিকাকৰণৰ পাছত কেন্দ্ৰীয় মে-ডাম-মে-ফীৰ পতাকা উত্তোলন কৰে সভাপতি ভুবন চেতিয়াই। উদযাপন সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি অখিল আহোমে। তাৰপিছত মৈদাম তৰ্পণ কৰা হয়। উদযাপন সমিতিয়ে মহন, দেওধাই বাইলুংসকলক আদৰণি জনোৱাৰ পাছত মলুংসকলে বানফি আৰু ফুৰালুং পূজা সম্পন্ন কৰে। তাৰ সমান্তৰালভাৱে চিত্ৰাঙ্কন আৰু আই চিং লাও পৰিৱেশন কৰা হয়। বিয়লি ভুবন চেতিয়াৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। এই মুকলি সভাত মে-ডাম-মে-ফি উপলক্ষে প্ৰকাশিত "ইতিবৃত্ত" উন্মোচন কৰে অৰ্জুন ভোগেশ্বৰ বৰুৱাই। এই অনুষ্ঠানত অসম ৰাজ্যিক মহিলা আয়োগৰ সদস্য বিনীতা শইকীয়া দে', জাতীয় সংগ্ৰামী সেনাৰ সভাপতি চিতু বৰুৱা, সংগ্ৰামী যুব ছাত্ৰ পৰিষদৰ সভাপতি দেৱজিৎ দত্ত, আহোম জাতীয় গনমঞ্চৰ সভাপতি মহেন্দ্ৰ দিহিঙ্গীয়াকে ধৰি কেইবাগৰাকীকো সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া তলাতল ঘৰ প্ৰাংগনত পুলিন পুথাও সকলৰ স্মতিত বন্তি প্ৰজ্বলন কৰা হয়। অন্যহাতে বৰ্ডিং খেলপথাৰত বৃহত্তৰ ৰংপুৰ মে' ডাম মে ফী উদযাপন সমিতিৰ উদ্যোগত মে ডাম মে ফী উদযাপন কৰা হয়। এই উপলক্ষ্যে পুৱাই পতাকা উত্তোলনৰ পিছতে বানফি পূজা অনুষ্ঠিত কৰি উপৰি পুৰুষৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বকতাৰ পৰা আমন্ত্ৰিত মূলুংসকলে মন্ত্ৰ উচ্চাৰণেৰে পূজা ভাগি সমাপন কৰাৰ উপৰিও আই চিং লাউ পৰিৱেশন কৰে পদ্মা চেতিয়া আৰু সংগীবৃন্দই। ইয়াৰ পিছতে শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি হৈ থকা ২০ গৰাকীৰো অধিক প্ৰসূতীৰ মাজত বিতৰণ কৰে বস্ত্ৰ আৰু বিছনা চাদৰ। বিয়লি প্ৰীতি ভোজৰো ব্যৱস্থা কৰে উদ্যোগক্তা সকলে। ইপিনে শিৱসাগৰৰ ৰংপুৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ উদ্যোগত আজি শিৱসাগৰ নগৰৰ বৰপুখুৰী পাৰত থকা বীৰ পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ সমাধিক্ষেত্ৰত মে-ডাম-মে-ফি উদযাপন কৰা হয়। দুয়ো গৰাকী বীৰ শ্বহীদৰ মৈদামত উদযাপন সমিতিৰ সম্পাদক ৰিকু বৰগোহাঁইয়ে বন্তি প্ৰজ্বলনেৰে মৈদাম তৰ্পণ কৰাৰ পাছত মলুং সকলে বানফি আৰু ফুৰালুং পুজা কৰে। বিয়লি ৰংপুৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ সম্পাদক অনুপ গগৈৰ পৌৰহিত্যত মুকলি সভা অনুষ্ঠিত হয়। এই মুকলি সভাত সমাজকৰ্মী ফুলবৰ দিহিঙ্গীয়া, নিৰঞ্জকাৰ চামচুল বাৰিককে ধৰি বহু কেইগৰাকী বৰেণ্য ব্যক্তিয়ে ভাষণ প্ৰদান কৰি মে-ডাম-মে-ফিৰ গুৰুত্ব আৰু মাহাত্ম্যৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। ইয়াৰ উপৰিও শিৱসাগৰ নগৰৰ পুৰণা আমোলাপট্টিৰ চেংমুন বুঢ়াগোহাঁই মৈদামত বৃহত্তৰ গোহাঁই গাওঁ অঞ্চলতো মে-ডাম-মে-ফি উদযাপন কৰে।

# ঘগ্ৰাপাৰত গুণোৎসৱৰ প্ৰস্তুতি, পৰ্যবেক্ষণ বিষয়ক সভা

**ই-সংবাদ, নলবাৰী, ৩১ জানুৱাৰীঃ** নলবাৰীৰ ঘগ্ৰাপাৰত অৱস্থিত বড়িগোগ-বনভাগ শিক্ষাখণ্ডত কালি দিনৰ বাৰ বজাত গুণোৎসৱৰ প্ৰস্তুতি আৰু পৰ্যবেক্ষণ বিষয়ত এখন গুৰুত্বপূৰ্ণ শৈক্ষিক সভা অনুষ্ঠিত হয়। শিক্ষা বিষয়া সমীন বৈশ্যৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত সমল ব্যক্তি সুভাষ বৰ্মনে গুণোৎসৱৰ বহিঃমূল্যায়কৰ উপস্থিতিত হ'ব লগা মান নিৰূপণৰ দিনাখন লায়েছন অফিছাৰৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে ব্যাখ্যা কৰে। চি আৰ চি চি অৰূপজ্যোতি দাসে 'ও এম আৰ'ৰ পেকেজিং সন্দৰ্ভত ব্যাখ্যা কৰে। বি আৰ পি নৰ কুমাৰ দাসেও প্ৰাসংগিক বক্তব্য উপস্থাপন কৰে। এই সভাতে শিক্ষক-প্ৰশিক্ষণ বিভাগৰ জিলা আঁচনি বিষয়া কীৰ্তি গোস্বামীয়ে গুণোৎসৱৰ দিনা সকলোকে বিশেষ সতৰ্কতাৰে আৰোপিত কামখিনি কৰিবলৈ আহ্বান জনায়। সমগ্ৰ শিক্ষা, নলবাৰীৰ জিলা প্ৰকল্প অভিযন্তা লাচিত চৌধুৰী, বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ জিলা প্ৰলোচক ডেইজী ৰাণী তালুকদাৰ আৰু কনিষ্ঠ অভিযন্তা গণেশ ডেকাও সভাখনত উপস্থিত থাকে। সভাৰ শেষত শিক্ষা বিষয়া সমীন বৈশ্যই সকলো দায়িত্ব নিখুঁতভাৱে পালনৰ আহ্বান জনোৱাৰ লগতে একোখনকৈ আলোকচিত্ৰ সম্বলিত পৰিচয় পত্ৰ বিতৰণ কৰে।

# তিনিচুকীয়াৰ বিভিন্ন স্থানত মে-ডাম-মে-ফি উদযাপন

**ই-সংবাদ, ডুমডুমা, ৩১ জানুৱাৰীঃ** তিনিচুকীয়া তাই সংস্কৃতি চৰ্চা কেন্দ্ৰৰ সৌজন্যত শ্ৰীপুৰীয়া ছ্যকাফা নগৰস্থিত কেন্দ্ৰৰ প্ৰাংগণত বৰ্ণাঢ্য কাৰ্যসূচী উলহ-মালহেৰে আহোমসকলৰ পৱিত্ৰ উৎসৱ মে-ডাম-মে-ফী উদযাপন কৰা হ'য়। ৪২ তম কেন্দ্ৰীয় মে-ডাম-মে-ফী উপলক্ষে পুৱা পতাকা উত্তোলন কৰে কেন্দ্ৰৰ সভাপতি নকুল কোঁৱৰ আৰু উদযাপন সমিতিৰ সভাপতি চিত্ৰৰঞ্জন গগৈয়ে। মৈদাম তপৰ্ণ কৰে কেন্দ্ৰৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল ৰাজকোঁৱৰে। চাওল্যুং ছ্যু-কা-ফাৰ প্ৰতিচ্ছবিত মাল্যাপৰ্ণ কৰে কেন্দ্ৰৰ কাৰ্যকৰী সভাপতি শিৱ গগৈয়ে। ইয়াৰ পাছত ধৰ্মীয় পৰম্পৰাৰে পয়তাং অনুষ্ঠিত হয়। বিয়লি নকুল কোঁৱৰৰ সভাপতিত্বত এখন মুকলি সভা অনুষ্ঠিত হ'য়। সভাত তিনিচুকীয়া তাই সংস্কৃতি চৰ্চা কেন্দ্ৰৰ সাধাৰণ সম্পাদক প্ৰাঞ্জল ৰাজকোঁৱৰে আদৰণি বক্তব্য প্ৰদান কৰি মে-ডাম-মে-ফী পূৰ্বপুৰুষক স্মৰণ কৰা আৰু পূৰ্বপুৰুষৰ পৰা আশিস লোৱা এক মহাসমন্বয়ৰ উৎসৱ বুলি মন্তব্য কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী তথা তিনিচুকীয়া সমষ্টিৰ বিধায়ক সঞ্জয় কিশান, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সভাপতি কাজল গোঁহাই, তিনিচুকীয়া পৌৰ সভাৰ পৌৰপতি পুলক চেতিয়া, সমাজ কৰ্মী তথা তাই সংস্কৃতি চৰ্চা কেন্দ্ৰৰ মুখ্য উপদেষ্টা মনোজ বৰা, তিনিচুকীয়াৰ জ্যেষ্ঠ সাংবাদিক, সমাজকৰ্মী, লেখক ৰূপম কাকতি, উদ্যোগী ৰাজৰ্ষি গগৈ আদি। সভাত বিধায়ক সঞ্জয় কিশানে তাই সংস্কৃতি চৰ্চা কেন্দ্ৰৰ এটা গৃহ নিৰ্মাণৰ বাবে ৫ লাখ টকাৰ অনুদানৰ কথা ঘোষণা কৰে। সভাত বক্তাসকলে মে-ডাম-মে-ফী উদযাপনৰ সাৰ্থকতাৰ সম্পৰ্কত বক্তব্য প্ৰদান কৰে। সভাতেই উদযাপন সমিতিয়ে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ " পুলিন পুথাও " উন্মোচন কৰে কেন্দ্ৰৰ মুখ্য উপদেষ্টা মনোজ বৰাই। আনহাতে, বিগত বছৰৰ দৰে এই বছৰো মাকুম জংচনৰ নগাঁও হাইস্কুল খেলপথাৰ প্ৰাংগণত তাই আহোম কলা-কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত মে-ডাম-মে-ফী পালন কৰা হয়। মাকুম কেন্দ্ৰীয় মে-ডাম-মে-ফী ৰ কাৰ্যসূচীত পৰিৱেশ সুৰক্ষা সমিতি, অসমৰ উদ্যোগত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা সোঁৱৰণীত গছপুলি বিতৰণ কৰা হ'য়। উদযাপন সমিতিৰ যুটীয়া সম্পাদক ৰিংকুৰঞ্জন গগৈয়ে পৰিচালনা কৰা উক্ত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে পৰিৱেশ কৰ্মী তথা পৰিৱেশ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সভাপতি ঋতুৰাজ বৰুৱা আৰু কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি দিগন্ত ভট্টই। মে-ডাম-মে-ফী উপলক্ষে পতাকা উত্তোলন কৰে দুৰ্লভ চেতিয়াই। মৈদাম তৰ্পণ কৰে ভৱকান্ত চেতিয়াই। পূৰ্বপুৰুষক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰদীপ ফুকনে। ইয়াৰ পিছত মাঙ্গলিক ৰীতি-নীতিৰে পূৰ্বপুৰুষৰ পূজা আৰম্ভ হয়। কাৰ্যসূচীত উপস্থিত থাকে অসম চৰকাৰৰ হাউছিং বৰ্ডৰ সভাপতি পুলক গোহাঁই, টাই আহোম যুৱ পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক প্ৰভাত চাংমাই, লাংকাচি চাহ বাগিচাৰ পৰিচালক ঋতুপৰ্ণ গগৈ, উদযাপন সমিতিৰ সভাপতি গকুলানন্দ বৰুৱাকে ধৰি ভিন্নজন। তিনিচুকীয়াৰ বৰদলৈ নগৰতো মে-ডাম-মে-ফী উদযাপন কৰা হ'য়।

# ডুমডুমাত অসম গাঁওৰক্ষী সংগঠনৰ ৭৬ সংখ্যক ৰাজ্যিক অধিৱেশনৰ সফল সামৰণি

**ই-সংবাদ, ডুমডুমা, ৩১ জানুৱাৰীঃ** ডুমডুমা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত অসম গাঁওৰক্ষী সংগঠনৰ ৭৬ তম প্ৰতিষ্ঠা দিৱস আৰু ৰাজ্যিক অধিৱেশনৰ যোৱা ২৯ জানুৱাৰীত সামৰণি পৰে। আজি পুৱা মূল পতাকা উত্তোলন কৰে অসম চৰকাৰৰ গৃহ, শ্ৰমিক কল্যাণ আৰু চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই। ইয়াৰ সমান্তৰালভাৱে আন ৭৫ খন পতাকা উত্তোলন কৰে অসম গাঁওৰক্ষী সংগঠনৰ বিভিন্ন বিষয়ববীয়া আৰু অসম আৰক্ষীৰ উচ্চ পদস্থ বিষয়াসকলে। ইয়াৰ পাছতেই স্মৃতি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে লক্ষীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই। বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক কৃষ্টিৰ দলসমূহৰ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা গাঁওৰক্ষী বাহিনীৰ সহস্ৰাধিক প্ৰতিনিধিৰ অংশগ্ৰহণেৰে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰা উদ্বোধন কৰে মন্ত্ৰী ৰূপেশ গোৱালাই। শোভাযাত্ৰাত ৰূপেশ গোৱালা, প্ৰদান বৰুৱা, তিনিচুকীয়াৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী সঞ্জয় কিশানকে প্ৰমুখ্যে কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। দিনৰ ১২-৩০ বজাৰপৰা শিক্ষাবিদ, বিশিষ্ট সমাজকৰ্মী, জ্যেষ্ঠ সাংবাদিক তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভাত অসম গাঁওৰক্ষী সংগঠনৰ মুখ্য উপদেষ্টা ৰঞ্জিত মজুমদাৰে অসমত গাঁওৰক্ষী বাহিনীৰ জন্মদাতা হৰিনাৰায়ণ দত্ত বৰুৱাক স্মৰণ কৰি সংগঠনটোৰ সন্দৰ্ভত বহু তথ্য সম্বলিত সাৰুৱা ভাষণ প্ৰদান কৰে। সভাত গৃহ বিভাগৰ আয়ুক্ত সচিব বিশ্বজিৎ পেগুৱেও ভাষণ প্ৰদান কৰে। সভাত মুখ্য অতিথি হিচাপে অংশ লৈ অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংঘলে অসমৰ জনসাধাৰণৰ প্ৰতি গাঁওৰক্ষী সংগঠনৰ দায়বদ্ধতাৰ প্ৰসংগ দোহাৰি আৰক্ষীৰ চকু, কাণ হিচাপে কাম কৰাৰ লগতে বিভিন্ন অসামাজিক কাম-কাজ যেনে মদ, ড্ৰাগছ, ডাইনীৰ দৰে ঘটনা ৰোধৰ ক্ষেত্ৰত গাঁওৰক্ষী সংগঠনৰ ভূমিকাৰ শলাগ লয়। মন্ত্ৰী সিংঘালে অসম গাঁওৰক্ষী সংগঠনে ৰাষ্ট্ৰীয় মৰ্য্যাদা পোৱাৰ যোগ্য বুলিও নিজৰ ভাষণত উল্লেখ কৰে। মুকলি সভাতেই মন্ত্ৰী সিংঘালে অধিৱেশন উপলক্ষে বিশিষ্ট শিক্ষাবিদ তথা স্থানীয় ৰূপাই হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত আৰু ডুমডুমাৰ জ্যেষ্ঠ সাংবাদিক দীনেশ গোয়েলৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থখনো উন্মোচন কৰে। সভাত বিশিষ্ট অতিথিৰ ভাষণত মন্ত্ৰী ৰূপেশ গোৱালাই অসম গাঁওৰক্ষী সংগঠনে অসমত শান্তি-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা শক্তিশালী ভূমিকাৰ প্ৰসংগ উল্লেখ কৰি পৌৰসভা এলেকাতো " চিভিল ডিফেন্স গ্ৰুপ " গঠন কৰি গাঁওৰক্ষী সংগঠনক আধুনিক ৰূপত গঢ়ি তোলা হ'ব বুলিও উল্লেখ কৰে। সাংসদ প্ৰদান বৰুৱাই নিজৰ ভাষণত গাঁওৰক্ষী বাহিনীক ডিজিটেল মাধ্যমৰ সৈতে সংযোগ ঘটোৱাৰ বাবে গৃহ বিভাগক আহ্বান জনায়। সভাত আদৰণি ভাষণ আগবঢ়ায় অসম আৰক্ষীৰ মহাপৰিদৰ্শক তথা অসম গাওঁৰক্ষী সংগঠনৰ মুখ্য নিয়ন্ত্ৰক প্ৰশান্ত কুমাৰ ভূঞাই। সভাত তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, ড° অমৰজিৎ শইকীয়া, বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী প্ৰকাশ দত্ত, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমন্বয়ক দিগন্ত কুমাৰ ভাজনীকে প্ৰমূখ্যে কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। শলাগৰ শৰাই আগবঢ়ায় তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষক তথা আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি গৌৰৱ অভিজিৎ দিলীপে। অধিৱেশনৰ মুকলি সভাৰ মুখ্য অতিথি হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আমন্ত্ৰণ জনোৱা হৈছিল যদিও উপস্থিত নথকাক লৈ সৰৰ চৰ্চা চলাও পৰিলক্ষিত হয়।

# মৰিগাঁৱৰ প্ৰয়াত সাংবাদিক ৰাতুল ডেকাৰ পৰিয়াললৈ ই টিভি ভাৰতৰ ৫ লাখৰ আৰ্থিক সাহায্য

**ই-সংবাদ, লাহৰীঘাট, ৩১ জানুৱাৰীঃ** ই টিভি ভাৰত পৰিয়ালৰ এক বিশেষ পদক্ষেপ। ই টিভি ভাৰতৰ মৰিগাঁৱৰ সাংবাদিক প্ৰয়াত ৰাতুল ডেকাৰ পৰিয়াললৈ প্ৰতিষ্ঠানৰ নীতি অনুসৰি আগবঢ়োৱা হয় ৫ লাখ টকাৰ সাহায্য। প্ৰয়াত সাংবাদিকগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ই টিভি ভাৰত কৰ্তৃপক্ষৰ হৈ ই টিভি ভাৰতৰ সহকাৰী বাৰ্তা সম্পাদক অনুপ শৰ্মা, ই টিভি ভাৰত অসমৰ ব্যুৰ' চীফ প্ৰশান্ত কুমাৰ বৰুৱাৰ উপস্থিতিত মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই প্ৰয়াত ডেকাৰ পত্নী নমিতা বৰদলৈৰ হাতত অৰ্পণ কৰে ৫ লাখ টকাৰ চেক। বিগত বৰ্ষৰ ২৭ আগষ্টত এক পথ দুৰ্ঘটনাত পতিত হৈ প্ৰাণ হেৰুৱাইছিল ই টিভি ভাৰতৰ নিষ্ঠাবান সাংবাদিকগৰাকীয়ে। যাৰ পিছতেই প্ৰয়াত সাংবাদিকগৰাকীৰ পৰিয়ালটিক আৰ্থিক সাহায্য প্ৰদানৰ বাবে প্ৰয়োজনীয় কাম-কাজ আগবঢ়াইছিল ই টিভি ভাৰত কৰ্তৃপক্ষই। অৱশেষত বৃহস্পতিবাৰে মৰিগাঁও চহৰৰ পৱিতৰা হাটত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰয়াত ৰাতুল ডেকাৰ পত্নীৰ হাতত অৰ্পণ কৰা হয় ৫ লাখ টকাৰ চেক। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সভাপতিত্ব কৰে মৰিগাঁও সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই। অনুষ্ঠানত উপস্থিত থাকি ই টিভি ভাৰতক ধন্যবাদ জ্ঞাপন কৰে মৰিগাঁৱৰ জ্যেষ্ঠ সাংবাদিক জগদীশ দাস, ডালিম ফুকন, প্ৰদীপ ডেকাৰ লগতে আন কেইবাগৰাকী জ্যেষ্ঠ সাংবাদিকে। উক্ত অনুষ্ঠানত উপস্থিত থাকি জিলাখনৰ আয়ুক্তগৰাকীয়ে কয় যে ই টিভি ভাৰতৰ যিখিনি ব্যক্তিৰ অবিৰাম পৰিশ্ৰমৰ জৰিয়তে আজি প্ৰয়াত ৰাতুল ডেকাদেৱৰ পত্নীৰ হাতত এই চেকখন আগবঢ়াই দিব পাৰিলে ৫ লাখ টকাৰ, সেয়া প্ৰকৃততে এটা অত্যন্ত ডাঙৰ কথা। ভাগ্যক্ৰমে তেওঁ ই টিভিৰ নিচিনা এটা প্ৰতিষ্ঠানত চাকৰি কৰিছিল, তাৰ বাবে তেওঁ এই প্ৰাপ্য পালে। জিলা আয়ুক্তগৰাকীৰ লগতে মৰিগাঁৱৰ জিলা অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যও এই অনুষ্ঠানত উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। প্ৰয়াত সাংবাদিক ৰাতুল ডেকাৰ পৰিয়ালক চেক প্ৰদানৰ উদ্দেশ্যে আয়োজিত এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ই টিভি ভাৰতৰ জ্যেষ্ঠ সাংবাদিক ভৱেশ মেধি, ৰকিবুল ওৱাহিদ, ছাইফুল ইছলাম, কিশোৰ ডেকা, ই টিভি বাংলা ভাৰতৰ কৰ্মী পাৰ্থ প্ৰতীম দাসগুপ্তাসহ কেইবাগৰাকী সাংবাদিকৰ উপৰি জ্যেষ্ঠ সাংবাদিক মানসজ্যোতি বৰুৱাৰ লগতে বহুকেইগৰাকী জ্যেষ্ঠ সাংবাদিক উপস্থিত থাকে।

# অসম চৰকাৰৰ শিল্পী সন্মানপ্ৰাপক অৰুণ চন্দ্ৰ দাসক সম্বৰ্ধনা

**ই-সংবাদ, বাহনা,৩১ জানুৱাৰীঃ** শতবৰ্ষ অতিক্ৰম কৰা যোৰহাটৰ বিবেকানন্দ পাঠশালা আৰু মাছৰহাট নিম্ন বুনিয়াদী বিদ্যালয়ে প্ৰাক্তন ছাত্ৰ তথা অসম চৰকাৰৰ শিল্পী সন্মান লাভ কৰা অৰুণ চন্দ্ৰ দাসক ২৯ জানুৱাৰীত সম্বৰ্ধনা জনায়। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কনকলতা কটকীৰ সভাপতিত্বত অনুষ্ঠিত সভাত মাছৰহাট নামঘৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি হেমানন্দ শইকীয়া, বৰ্তমানৰ সম্পাদক বিতুল শইকীয়া, ৰামচন্দ্ৰ দাস, হেৰেম্ব শৰ্মা, ভৱেন হাজৰিকা, মীৰা মুক্তিয়াৰ প্ৰমুখ্যে বিভিন্নজনে শিশুবন্ধু তথা সাহিত্যিক অৰুণ চন্দ্ৰ দাসক শিল্পী সন্মান প্ৰদান কৰাত অসম চৰকাৰৰ শলাগ লয়। প্ৰধান শিক্ষয়িত্ৰী নিবেদিতা দাসে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষয়িত্ৰীসকলে সম্বৰ্ধনা জনায়। সভাত শলাগ জনাই শিক্ষয়িত্ৰী প্ৰণতি গোস্বামীয়ে।

# আৰক্ষীৰ মধ্যভোগীৰ গুণ্ডাগিৰিত আগমনিত থানাত উত্তেজনা

**ই-সংবাদ, গোলকগঞ্জ, ৩১ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত অসম পশ্চিমবংগ সীমান্তৰ খেৰবাৰী অঞ্চলত আগমনি থানাৰ মধ্যভোগী দালালৰ গুণ্ডাগিৰীত সাধাৰণ ৰাইজ অতিষ্ঠ হৈ পৰিছে। অতিষ্ঠ শতাধিক লোকে আজি আগমনি থানাত উপস্থিত হৈ মৌখিক অভিযোগ দিয়াৰ লগতে থানাত এজাহাৰ দাখিল কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, খেৰবাৰী প্ৰথম খণ্ড গাঁৱৰ প্ৰয়াত আছিৰুদ্দিনৰ পুত্ৰ আইনুল হক কাপোৰৰ ব্যৱসায়ী আছিল। আগমনি আৰক্ষীৰ লগত সনাপিটিকা কৰি কৰি লাহে লাহে হৈ পৰে ভাৱপ্ৰাপ্ত বিষয়াৰ অতি ঘনিষ্ঠ। ইয়াৰ সুযোগ লৈ থানাখনত ব্যাপক হাৰত দালালি আৰম্ভ কৰে। থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত আচামীৰ ঘৰে ঘৰে গৈ তেওঁ বিভিন্ন দাবী ধমকি দিয়াৰো স'ততে অভিযোগ উত্থাপিত হয়। অসম পশ্চিমবংগ সীমান্ত অঞ্চলত চলি থকা বিভিন্ন অবৈধ ব্যৱসায়ীৰ পৰা আৰক্ষীৰ নামত তেওঁ ধন সংগ্ৰহ কৰি আহিছে। তেওঁক মেনেজ নকৰিলে কোনো বাহন ইফাল সিফাল কৰিব নোৱাৰে। কালি অঞ্চলটোৰ বালিৰ ব্যৱসায়ী এক্ৰামুল হক সৰকাৰৰ পৰা বলপূৰ্বক ধন দাবী কৰে। দাবীকৃত ধন নিদিলে বাহনসহ এক্ৰামূলক জ্বলাই দিয়াৰ ভাবুকি দিয়ে। আজি পুৱা পাঁচ বজাত প্ৰাতঃভ্ৰমণত ওলোৱাৰ সময়তো মুখত ক'লা কাপোৰ বান্ধি আইনুলে আন দুই সহযোগীৰ লগত আক্ৰমণৰ পৰিকল্পনা কৰে। ছেগ বুজি এক্ৰামূল পলাই সাৰে বুলি থানাত এজাহাৰ দাখিল কৰে। আইনুল হকৰ বিৰুদ্ধে ধন দাবীৰ আন এখন এজাহাৰো দাখিল হয়।

# ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়ত বিদায়ী সম্বৰ্ধনা সভা

**ই-সংবাদ, ৰঙিয়া, ৩১ জানুৱাৰীঃ** ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়ৰ দুগৰাকীকৈ মহিলা কৰ্মচাৰীৰ ৩০ জানুৱাৰীত কৰ্ম জীৱনৰ সামৰণি পৰা উপলক্ষে বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। উচ্চ বৰ্গৰ সহায়ক অশোক শৰ্মাই আঁত ধৰা সভাত সভাপতিৰ আসন অলংকৃত কৰে ডাঃ পদ্মেশ্বৰ কলিতাই। সভাৰ প্ৰাকমুহূৰ্তত বিদায়ী প্ৰাৰ্থী দুগৰাকী ক্ৰমে ৰচিদা বেগম আৰু কুঞ্জলতা দাসক ৰাভা সংগীত পৰিৱেশনেৰে আদৰণি জনোৱা হয়। সভাত ডাঃ নিলঞ্জনা দীপক দাসেও গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। দুয়োগৰাকীকে ধৰ্মগ্ৰন্থৰ লগতে মেখেলা-চাদৰ, গছ পুলি, জাপি, ছাতি, গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত দুয়োগৰাকী বিদায়ী প্ৰাৰ্থীয়ে গীত পৰিৱেশনৰে সমবেত লোকসকলক আপ্লুত কৰে। সভাত চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ দিলীপ কুমাৰ বৈশ্য, ডাঃ অশোক কলিতা, ডাঃ পিকুলি হাজৰিকাৰ লগতে ডাঃ আফতাব আহমেদ উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## কাছসদৃশ বেদীত উত্তোলন কৰা হ'ব বিশেষ ধৰ্মধ্বজা

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট ম'হবন্ধা অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ

**ই-সংবাদ, পশ্চিম যোৰহাট, ৩১ জানুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক যোৰহাট ম'হবন্ধা বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। ৬-৯ ফেব্ৰুৱাৰীত যোৰহাটৰ পশ্চিম দিশৰ ম'হবন্ধাৰ এৰালতলি পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত হ'বলগীয়া অধিৱেশনৰ নামঘৰত নিতৌ নাম-কীৰ্তন কৰি থকা হৈছে। সম্পূৰ্ণ হৈছে নাটঘৰ, মঞ্চ-প্ৰেক্ষাগৃহ, ভোজনালয়, গ্ৰন্থমেলা, বাণিজ্যস্থলী, বিভিন্ন উপ-সমিতিৰ কাৰ্যালয় আৰু প্ৰতিনিধিসকল থাকিব পৰাকৈ ২০০ টা বৃহৎ শিবিৰ। অধিৱেশনস্থলীত যোৰহাট জিলাৰপৰা প্ৰতিনিধিত্ব কৰা ১০ গৰাকী পদাধিকাৰৰ লগতে গৱেষক যোগেশ্বৰ বৰদলৈ সোঁৱৰণত নিৰ্মিত কৰা হৈছে একোখনকৈ আদৰণী তোৰণ। ৰাষ্ট্ৰীয় পথৰপৰা অধিৱেশনস্থলীলৈ যাতায়াত কৰা প্ৰতিটো পথেই সুচল কৰি তোলা হৈছে। প্ৰতিনিধিসকল থাকিব পৰাকৈ শিবিৰত সকলো সা-সুবিধাৰ উপৰি জনস্বাস্থ্য কাৰিকৰী বিভাগে স্থাপন কৰা দমকলবোৰৰ লগতে গা-পা ধুবৰ বাবেও ৫ টা পুখুৰী সাজু কৰা হৈছে। নিৰ্মাণ কৰা হৈছে বিজ্ঞান সন্মত শৌচাগাৰবোৰ। অধিৱেশনস্থলীৰ মাজতে থকা অইল পাইপলাইনটোত জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো লোকেই সুচলভাৱে যাতায়াত কৰিবলৈ সাজু কৰি তোলা হৈছে। ৰাজ্যৰ লগতে দেশ আৰু বিদেশৰো প্ৰায় আঢ়ৈ লাখ লোক সমৱেত হ'বলগীয়া অধিৱেশনস্থলীত আকৰ্ষণৰ বাবে এশ ফুট ওখকৈ নিৰ্মাণ কৰিছে ৰাফেল টাৱাৰ। কাছসদৃশ বেদীত উত্তোলন কৰা হ'ব ধৰ্মধ্বজা। সকলো দৃশ্য আৱদ্ধ হৈ থাকিব ১২ বিঘা ভূমিৰ এলেকাৰ অধিৱেশনস্থলীৰ আলোকচিত্ৰ। অধিৱেশনলৈ ৰাজ্যপালৰ লগতে মুখ্যমন্ত্ৰী আৰু প্ৰায়সকল সাংসদ, বিধায়ক, মন্ত্ৰী অহাৰ সন্মতি প্ৰকাশ কৰিছে। পহিলা ফেব্ৰুৱাৰীৰ পৰা অধিৱেশন হৈ যোৱাৰ এসপ্তাহলৈকে আৰক্ষী মোতায়েন হৈ থকাৰ উপৰি যান-বাহনৰ সুচল যাতায়াতৰ বাবে অধিৱেশনৰ কেইদিন ৰাষ্ট্ৰীয় পথটোত কাকডোঙাৰ পৰা যোৰহাট মহানগৰলৈকে আৰক্ষী মোতায়েম কৰিব জিলা প্ৰশাসনে। নামনি অসমৰ পৰা অহা সকলো প্ৰকাৰৰ যান-বাহন পশ্চিম দিশত আৰু উজনি অসমৰ পৰা অহা সকলো যান-বাহন পূব দিশত শৃংখলাবদ্ধভাৱে ৰাখিব পৰাকৈ স্থানৰ ব্যৱস্থা কৰিছে। শোভাযাত্ৰা পূব দিশে ৰাষ্ট্ৰীয় পথেৰে গৈ ধ'লি গাঁৱৰ মাজেৰে পুনৰ ৰাষ্ট্ৰীয় পথেৰে অধিৱেশনস্থলীত সামৰণি পৰিব। ভকত-বৈষ্ণৱ, দৰ্শনাৰ্থীয়ে যাতে অসুবিধা নাপায় তাৰবাবে পোন্ধৰ হেজাৰ সেৱা বাহিনীৰ স্বেচ্ছাসেৱকে সেৱা আগবঢ়াই থাকিব। লাইখুঁটা স্থাপনৰ দিনাৰে পৰা যোৰহাট প্ৰশাসনিক জিলাৰ লগতে গোলাঘাট, নগাঁও, মাজুলী, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, তিনিচুকীয়া, কাৰ্বি আংলঙৰো কিছু লোকে অধিৱেশন সফল কৰিবলৈ দিনে-নিশাই কাম কৰি আছে। ২০০ প্ৰতিনিধিৰ শিবিৰ নিৰ্মাণ কৰিছে প্ৰাথমিক, আঞ্চলিক, জিলাসমূহে। কেউদিনৰ অন্ন, জা-জলপান, পিঠা-পনা, মিঠৈ, অতিথিসকলক আদৰণিৰ বাবে গামোচা, চেলেং আদিও প্ৰদান কৰিছে সংগীসকলে। ৰাষ্ট্ৰীয় পথটোত পূবে জাঁজীৰ পৰা কাকডোঙালৈকে বহু অনুষ্ঠানে আদৰণী তোৰণ নিৰ্মাণ কৰাৰ লগতে শিৱসাগৰ আৰু গোলাঘাট জিলাটো আদৰণী তোৰণ নিৰ্মাণ কৰিব। অতিথিক আদৰিবলৈ বাছ আস্থান, কেউটা ষ্টেচন, ৰৌৱা বিমান বন্দৰ আদিতো সমিতিৰ বিষয়ববীয়া উপস্থিত থাকিব। উল্লেখ্য, প্ৰকৃতিৰ গোমা পৰিৱেশৰ বাবে নিৰ্মাণ কাৰ্য কৰি থকা প্ৰতিটোতেই বৰষুণৰ পানী নপৰিবৰ বাবে ত্ৰিপাল দিয়াৰো ব্যৱস্থা কৰিছে। আয়োজকে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# নামতিত মে-ডাম-মে-ফি উদযাপন

**ই-সংবাদ, গেলেকী, ৩১ জানুৱাৰীঃ** সদৌ টাই যুৱ-ছাত্ৰ পৰিষদ নামতি আঞ্চলিক সমিতি, নামতি দ'ল টাই শিক্ষা সাংস্কৃতিক বিকাশ কেন্দ্ৰ আৰু নাজিৰা আৰু আমগুৰিবাসী ৰাইজৰ সহযোগত এদিনীয়া কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে মেডাম-মে-ফি উদযাপন কৰা হয়। চাওলুং চুকাফা সমন্বয় ক্ষেত্ৰ নামতি দ'লৰ প্ৰাংগণত অনুষ্ঠিত হয় অনুষ্ঠানৰ। পুৱা ৮ বাজি ৩০ মিনিটত পাতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। পাতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি মানচাও অজিত চেতীয়াই। ৯ বজাত মৈদাম তৰ্পণ কৰে সদৌ টাই যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ যুটীয়া সম্পাদক প্ৰাঞ্জল শইকীয়াই। ইয়াৰ পিছতেই সদ্যপ্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ সোঁৱৰণত এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। দুপৰীয়া ১২ বজাৰ পৰা মুকলি সভা আৰম্ভ হয়। সভাত উপস্থিত থাকে নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়া। মুকলি সভাৰ সভাপতিত্ব কৰে আহোম সভাৰ শিৱসাগৰ জিলাৰ উপ-সভাপতি মান চাও তৰুণ গগৈয়ে। মুকলি সভাত আমন্ত্ৰিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ টাই যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক চাও প্ৰশান্ত ফুকন।

# লুইত খাবলুত বিদ্যুৎস্পৃষ্ট হৈ এজনৰ মৃত্যু

**ই-সংবাদ, মাজুলী, ৩১ জানুৱাৰীঃ** মাজুলীৰ লুইত খাবলুৰ অন্তৰ্গত নামনি মাজুলীৰ কুলামুৱাত আজি এক শোকাৱহ ঘটনা সংঘটিত হয়। জানিব পৰা অনুসৰি নামনি কুলামুৱাৰ যুৱক সুভাষ দলে (৩৩ বছৰ) নিজৰ খেতিৰ বাবে পথাৰত পইণ্ট বঢ়াই থাকোতে শ্বৰ্টচাৰ্কিট হৈ মৃত্যুক আঁকোৱালি ল'ব লগা হয়। অতি অমায়িক যুৱকজনৰ মৃত্যুত গাঁওখনত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়।পৰিতাপৰ কথা যে মৃতদেহ টেক্টৰত নিব লগা হয়। মৃতদেহ নিবৰ বাবে এখন স্বৰ্গৰথ সেৱা লাভ নকৰিলে পৰিয়ালে। ইয়াৰ পূৰ্বেও স্বৰ্গৰথৰ অভাৱত মাজুলীত চাইকেলত, ঠেলাত মৃতদেহ কঢ়িয়াই নিয়াৰ বহু উদাহৰণ আছে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# কঠীয়াতলীত কঠিয়াতলী আঞ্চলিক স্বৰ্ণ শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, কামপুৰ, ৩১ জানুৱাৰীঃ** আজি নগাঁও জিলাৰ কঠীয়াতলীত কঠিয়াতলী উচ্চতৰ মাধ্যমিকৰ বিদ্যালয়ৰ প্ৰেক্ষাগৃহত কঠিয়াতলী আঞ্চলিক স্বৰ্ণ শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখন অনুষ্ঠিত হৈ যায়। উক্ত সভাত পুৰণি কমিটি ভংগ কৰি জিতেন্দ্ৰনাথ হাজৰিকাক সভাপতি, বাচেদ আলী আৰু শশী বৰদলৈক উপ-সভাপতি, কুকিল দাসক সম্পাদক, ভোগেশ্বৰ বৰুৱা আৰু দিপাংকৰ বৰদলৈক সহকাৰী সম্পাদক হিচাপে মনোনীত কৰা হয়। আনহাতে, সাংগঠনিক সম্পাদক হিচাপে অতুল চন্দ্ৰ কাকতি আৰু ৰামধন বৰা, কোষাধ্যক্ষ কৃষ্ণ দাস, প্ৰচাৰ সম্পাদক হিচাপে শান্তনু কুমাৰ শৰ্মা আৰু মুক্তিকাম লস্কৰ, সাংস্কৃতিক সম্পাদক ৰিংকু বৰা, পত্ৰিকা সম্পাদিকা অমিয়া শইকীয়াক লৈ এখনি পূৰ্ণাংগ কমিটী গঠন কৰা হয়। আজিৰ সভাই পূৰ্ণাংগ কমিটীখনত উপদেষ্টা হিচাপে ঘন বৰদলৈ, নলিনী মোহন বৰা, ৰজত ৰাজখোৱা, পোনাৰাম বৰুৱা, সুৰুজ কৌৰ, ভীষ্মদুৰ্লভ মহন্ত, বনমালী বৰা, অশ্বিনী কুমাৰ পাল আৰু মদন বৰাক মনোনীত কৰে। আজিৰ সভাত সভাপতিত্ব কৰে ভীষ্মদুৰ্লভ মহন্তই আৰু সভাখনৰ আঁত ধৰে ৰজত ৰাজখোৱাই। উক্ত সভাত কঠীয়াতলী স্বৰ্ণ শাখা সাহিত্য সভাৰ বহু কেইগৰাকী সদস্য-সদস্যা উপস্থিত থাকে।

# দৈমুখীয়াত ফাইলেৰিয়া ৰোগৰ সজাগতা সভা

**ই-সংবাদ, ডুমডুমা, ৩১ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ দৈমুখীয়া চাহ বাগিচা চিকিৎসালয়ৰ প্ৰাংগণত ২৯ জানুৱাৰীত ফাইলেৰিয়া (গোধা বেমাৰ) ৰোগ সম্বন্ধীয় এক সজাগতা সভা অনুষ্ঠিত হৈ যায়। হাপজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত অহা ১০-১৯ ফেব্ৰুৱাৰীলৈ গ্ৰহণ কৰা ফাইলেৰিয়া ৰোগ নিৰ্মূল অভিযানৰ অধীনত গ্ৰহণ কৰা সমূহীয়া ঔষধ সেৱন (এম. ডি. এ.) ৰ প্ৰতি সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে উক্ত সজাগতা কাৰ্যসূচী ৰূপায়ন কৰা হয়। এই উপলক্ষে আয়োজিত সভাৰ আঁত ধৰে হাপজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মেলেৰিয়া বিভাগৰ ক্ষেত্ৰ পৰিদৰ্শক দুৰ্গেশ্বৰ কলিতাই। কলিতাই দৈমুখীয়া অঞ্চলত ফাইলেৰিয়া ৰোগে ভয়াবহ ৰূপ ধাৰণ কৰা বুলি উল্লেখ কৰি ফাইলেৰিয়া ৰোগৰ সন্দৰ্ভত বাখ্যা আগবঢ়োৱাৰ লগতে সামূহিক ঔষধ সেৱনৰ বাহিৰে ইয়াৰ কোনো বিকল্প নাই বুলিও উল্লেখ কৰাৰ লগতে জিলা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা ফাইলেৰিয়া ৰোগৰ চিকিৎসা ব্যৱস্থা কৰি থকাৰ কথা জানিবলৈ দি এইক্ষেত্ৰত ৰাইজক চৰকাৰৰ সৈতে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। সভাত জিলা মেলেৰিয়া বিষয়া উজলা বৰুৱা, জিলা মেলেৰিয়া পৰামৰ্শদাতা ড° বিতোপন বৰা, দৈমুখীয়া চাহ বাগিচাৰ চিকিৎসক, বাগিচাৰ সহঃ পৰিচালক, স্বাস্থ্য বিভাগৰ কৰ্মী, আশা কৰ্মীসকল উপস্থিত থাকে। সভাত জনপ্ৰিয় ইউটিউবাৰ অচকাই অসমেও অংশগ্ৰহণ কৰে। সভাত উজলা বৰুৱা, বাগিচাৰ চিকিৎসক, সহঃ পৰিচালককে বক্তব্য ৰাখে। উল্লেখ্য যে, অহা ১০ ফেব্ৰুৱাৰীত দৈমুখীয়া চাহ বাগিচাৰ চিকিৎসালয়ৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া ফাইলেৰিয়া ৰোগৰ সমূহীয়া ঔষধ সেৱন কাৰ্য্যসূচীৰ শুভাৰম্ভণিৰ অনুষ্ঠানলৈ স্থানীয় ডুমডুমা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালা, তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালক আমন্ত্ৰণ জনোৱা হৈছে। উক্ত কাৰ্যসূচীত আশা কৰ্মী, স্বাস্থ্য বিভাগৰ কৰ্মীসকলে হাপজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ এলেকাৰ প্ৰতিঘৰলৈ গৈ প্ৰতিগৰাকী লোকক চৰকাৰে যোগান ধৰা বিনামূলীয়া প্ৰতিষেধক ঔষধ প্ৰদান কৰিব বুলিও জানিবলৈ দিয়ে।

# ডিব্ৰুগড়ৰ বিভিন্ন প্ৰান্তত মে-ডাম-মে-ফি উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ৩১ জানুৱাৰীঃ** সমগ্ৰ ৰাজ্যৰ লগতে ডিব্ৰুগড়তো দিনজোৰা কাৰ্যসূচীৰে আজি বিভিন্ন প্ৰান্তত মে-ডাম-মে-ফি পালনেৰে উপৰিপুৰুষসকলক স্মৰণ কৰা হয়। ডিব্ৰুগড়ৰ টাই ভাষা আৰু কৃষ্টি-সংস্কৃতি চৰ্চাৰ অন্যতম কেন্দ্ৰ টাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত প্ৰতিবছৰৰ দৰে এইবাৰো আয়োজন কৰা হয় মে-ডাম-মে-ফি উৎসৱ। এই উপলক্ষে পুৱা ড্ৰেগন অংকনৰ সোণালী পতাকা উত্তোলন কৰে টাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি হেম কান্ত দিহিঙীয়াই। ইয়াৰ পাছতে মুলুং নৰ ফুকনৰ পৰিচালনাত মাংগলিক অনুষ্ঠান অনুষ্ঠিত হয়। আনহাতে, ডিব্ৰুগড় জিলাৰ আহোম সভাৰ সম্পাদক দিগন্ত ফুকনে আঁত ধৰা মুকলি সভাত উপস্থিত থাকি ইন্দ্ৰ গগৈৰ সম্পাদনাত প্ৰকাশিত "লিট মাইহাং" নামৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে বিশিষ্ট চিকিৎসক গৌৰিশংকৰ বৰগোহাঁয়ে। মুকলি সভাত অসম চৰকাৰৰ হৈ মুখ্যমন্ত্ৰী সচিবালয়ৰ অতিৰিক্ত মুখ্য সচিব বিশ্বজিৎ ফুকন, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি, সুদূৰ মুম্বাইৰ অসম ভৱনৰ ত্ৰিনয়ন সন্দিকৈ, ডিব্ৰুগড় টাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰৰ সভাপতি হেমকান্ত দিহিঙীয়া, সম্পাদক দুৰ্লভ গগৈ, আহোম সভাৰ ডিব্ৰুগড় জিলা সভাপতি ৰঞ্জিত বৰুৱাসহ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। মে-ডাম-মে-ফি অনুষ্ঠানৰ মুকলি সভাতে টাই কৃষ্টি সংস্কৃতিৰ উত্তৰণৰ ক্ষেত্ৰত তথা প্ৰসাৰৰ ক্ষেত্ৰত দীৰ্ঘদিন কাম কৰি অহা ডিব্ৰুগড়ৰ ৰুবী গগৈ সন্দিকৈলৈ "জাছিংফা" বঁটা আগবঢ়োৱা হয়। আনহাতে, মুকলি সভাৰ পাছতে ৰুবী গগৈ সন্দিকৈৰ পৰিচালনাত কেইবাটাও নৃত্যৰ জৰিয়তে আৰু সংগীতজ্ঞ গঙ্কেশ্বৰ চমুৱাৰ পৰিচালনাত টাই জাতীয় সংগীতসহ কেইবাটাও টাই ভাষাৰ গীত আৰু শিল্পী ভূৱন গগৈৰ দ্বাৰা পৰিৱেশনেৰে পৰিৱেশ মুখৰিত কৰি তোলে। আনহাতে, পুৱাৰ ভাগত মাৰাঠী ভাষাৰ এগৰাকী নৱাগতা শিল্পী তথা অসমীয়া বোৱাৰী গৌৰী বোধনকাৰৰ কণ্ঠৰ এটা গীত সামাজিক মাধ্যমত আনুষ্ঠানিকভাৱে উন্মোচন কৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ৰাতুল বুঢ়াগোহাঁয়ে। মে-ডাম-মে-ফি উপলক্ষে আহোম জনগোষ্ঠীৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীয় লোক উপস্থিত থাকি মাংগলিক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে সমূহীয়াভাৱে ভোজত অংশগ্ৰহণ কৰে। আনহাতে, ডিব্ৰুগড়ৰ বাণীপুৰত নাম ডাউফী সংঘৰ সৌজন্যত আৰু বাণীপুৰ বকপাৰা বাসীৰ সহযোগত মে-ডাম-মে-ফি উদযাপন কৰা হয়। এই উপলক্ষে পতাকা উত্তোলন, মাংগলিক অনুষ্ঠান, কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত মুকলি সভা অনুষ্ঠিত কৰা হয়। তদুপৰি টাই আহোম যুৱ পৰিষদৰ বৰপথাৰ আঞ্চলিক সমিতিৰ উদ্যোগত টাইপা সদৰ আঞ্চলিক সমিতি আৰু সদৌ বৰপথাৰ ৰাইজৰ সহযোগত বৰপথাৰ দীঘলা গাঁৱত অনুষ্ঠিত কৰা হয় মে-ডাম-মে-ফি উৎসৱ।

# কাৰাগাঁৱত তিনিটা পিস্তল আৰু সঁজীৱ গুলী উদ্ধাৰ আৰক্ষীৰ

**ই-সংবাদ, ডিফু, ৩১ জানুৱাৰীঃ** অসম-নাগালেণ্ড সীমান্তৰ খটখটীৰ কাৰাগাঁৱত তিনিটাকৈ পিষ্টল আৰু সঁজীৱ গুলী সহ খটখটী আৰক্ষীয়ে আজি বিয়লি এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। এক গোপন খবৰৰ ভিত্তিত খটখটী থানাৰ অচি নিতুল শইকীয়াৰ নেতৃত্বত আৰু থানা ষ্টাফৰ সহযোগত বৰলেঙৰী দিশৰ পৰা কাৰাগাওঁ অভিমুখে হাতত এটা হেণ্ড বেগ লৈ খোজকাঢ়ি আহি থকা অৱস্থাত এজন লোকক কাৰাগাওঁ লোকনাথ মন্দিৰৰ ওচৰত তালাচী চলায়। তালাচী কালত লোকজনে কঢ়িয়াই অনা বেগৰ পৰা আৰক্ষী তিনিটাকৈ পিষ্টল, সঁজীৱ গুলী আৰু মেগজিন উদ্ধাৰ কৰে। ইয়াৰ ভিতৰত মেগজিনৰ সৈতে ইটালীত নিৰ্মিত এটা 7'65 পিষ্টল, মেগজিন আৰু ৫ জাঁই সঁজীৱ গুলীৰ সৈতে জাপানত নিৰ্মিত পইণ্ট 22 পিষ্টল এটা আৰু মেগজিনৰ সৈতে পইণ্ট 22 পিষ্টল এটা। উদ্ধাৰ হোৱা পিষ্টল, সজীৱ গুলী আৰি মেগজিনসমূহ বোকাজান মহকুমা আৰক্ষী বিষয়া ৰুস্তমৰাজ ব্ৰহ্ম আৰু নিৰপেক্ষ সাক্ষীগণৰ সাক্ষাতে জব্দ কৰে বুলি জানিব পৰা গৈছে। আনহাতে পিস্তলকেইটা সৰবৰাহৰ লগত জড়িত যোৰহাটৰ পুলিবৰ থানা এলেকাৰ পানী শুকুৰা নপুমোৱাৰ যতীন দাসৰ পুত্ৰ নবীন দাস ওৰফে প্ৰশান্ত দাস ক আটক কৰি আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# তামুলপুৰ জিলাৰ গোপীনাথ পুৰ শাখা সত্ৰৰ স্থায়ী তোৰণ উন্মোচন



**ই-সংবাদ, তামুলপুৰ, ৩১ জানুৱাৰীঃ** তামুলপুৰ জিলাৰ ভাৰত-ভুটান সীমান্তৰ কুমাৰীকাটাৰ নিকটৱৰ্তী গোপীনাথ পুৰ শাখা সত্ৰৰ এখন মুখ্য তোৰণ আজি সম্পূৰ্ণ মাংগলিক পৰিৱেশত উন্মোচন কৰা হয়। বৰপেটা সত্ৰৰ অন্তৰ্গত গোপীনাথ পুৰ শাখা সত্ৰৰ মুখ্য তোৰণখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে বৰংগাজুলি সত্ৰৰ সত্ৰাধিকাৰ নিৰঞ্জন বড়ো বাপে। উল্লেখ্য যে তোৰণখন বৰপেটাৰ সমাজকৰ্মী প্ৰয়াত হৰগোবিন্দ দাসৰ সোঁৱৰণত তেওঁৰ পৰিয়াল বৰ্গৰ আৰ্থিক সাহায্যৰে নিৰ্মাণ কৰি উলিওৱা হয়। মুখ্য তোৰণখনৰ উন্মোচনী অনুষ্ঠানত প্ৰয়াত হৰগোবিন্দ দাসৰ পত্নী সত্যৱতী দাস, বৰপুত্ৰ নৱজিত দাস, পুত্ৰ নয়নজিত দাস, বোৱাৰীৰ উপৰি বিশিষ্ট সমাজকৰ্মী দুলাল দাস, দৰঙামেলা শাখা সত্ৰৰ বহু কেইগৰাকী বাপ বান্ধৱ আৰু গোপীনাথ পুৰ শাখা সত্ৰৰ সভাপতি মিত্ৰ চৌধুৰী, সম্পাদক ৰামকৃষ্ণ দাস উপস্থিত আছিল। আনহাতে, আজি তোৰণ উন্মোচন অনুষ্ঠানৰ মাজতে বিভিন্ন জাতি-জনগোষ্ঠীৰ কেইবাগৰাকীও যুৱক-যুৱতীয়ে বৰংগাজুলি সত্ৰৰ সত্ৰাধিকাৰ নিৰঞ্জন বড়োৰ দ্বাৰা শৰণ কাৰ্য সমাপন কৰায়।

# তিনিদিনীয়াকৈ আৰম্ভ শ্ৰীমন্ত শংকৰদেৱ সংঘ মৰিগাঁও জিলা শাখাৰ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, জাগীৰোড, ৩১ জানুৱাৰীঃ** উত্তৰ পূব ভাৰতৰ সুবৃহৎ আধ্যাত্মিক, সাহিত্যিক, সাংস্কৃতিক, সামাজিক অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মৰিগাঁও জিলা শাখাৰ ৪৮ সংখ্যক বাৰ্ষিক অধিৱেশনখন জাগীৰোড সদৰ আঞ্চলিক শাখাৰ আতিথ্যত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা সমন্বয় ক্ষেত্ৰ তথা জাগীৰোড গাঁও পঞ্চায়তৰ শিশু উদ্যানত ৩১ জানুৱাৰীৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। এই অধিৱেশনত আজি পুৱা পৰিৱেশ নিকাকৰণ, নাম প্ৰসংগৰ পাছতেই বিভিন্ন তোৰণ আৰু শিবিৰৰ দ্বাৰ উন্মোচন কৰে ক্ৰমে কাৰ্যকৰী সভাপতি জিতেন্দ্ৰ কুমাৰ ডেকা, জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অপূৰ্ব ডেকা, সমাজ সেৱক প্ৰবীণ কুমাৰ ডেকা, সঞ্জীৱ শইকীয়া, ৰিমি শইকীয়া, জাগীৰোড আৰক্ষী থানাৰ আৰক্ষী বিষয়া ভদ্ৰেশ্বৰ পেগু, আদৰণী সমিতিৰ উপ-সভাপতি কুমুদ চন্দ্ৰ ডেকা, নাৰায়ণ পাল, ধীৰেন চন্দ্ৰ দাস, গুৱাহাটী মহানগৰীৰ অনিল বৰুৱা, বিশিষ্ট ব্যৱসায়ী বদন শ্বাহ, ডাঃ ধৰ্মেশ্বৰ ৰংহাঙে। মূল মঞ্চত জিলা সভাপতি অতুল চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাখন উদ্বোধন কৰে জিলাৰ প্ৰাক্তন সভাপতি ডাঃ পুনিৰাম পাতৰে। স্মৃতিগ্ৰন্থ 'কৃষ্ণসূৰ্য' উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ থ্ৰিফট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ'চাইটীৰ অধ্যক্ষ হৰেন্দ্ৰ বৰাই লগতে বাৰ্ষিক পত্ৰিকা 'গুণনিধি' উন্মোচন কৰে বাণী বৰঠাকুৰে। তদুপৰি প্ৰাক্তন শৰণ সদস্য, প্ৰবন্ধকাৰ মোহন চন্দ্ৰ বৰদলৈৰ প্ৰবন্ধ সংকলন 'ভক্তি তত্ত্বৰ অন্বেষণ' উন্মোচন কৰাৰ লগতে প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই মুখ্য অতিথিৰ ভাষণ ৰাখে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শত অনুপ্ৰাণিত নোহোৱা পৰ্যন্ত শ্ৰীমন্ত শংকৰদেৱ সংঘই নিৰৱচ্ছিন্নভাৱে প্ৰণালীবদ্ধভাৱে কৰণীয়খিনি কৰি যাব বুলি ঠাকুৰীয়াই বক্তব্য ৰাখে। লগতে সংঘৰ অহিত চিন্তা কৰাসকল জুইত চগা পৰাৰ দৰে নিজে জাহ যাব বুলিও তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। আনহাতে, প্ৰতিনিধি সভাকক্ষত শিশু আই মাতৃ কল্যাণ শাখা সমিতিৰ সভানেত্ৰী উৎপলা লস্কৰৰ সঞ্চালনাত অনুষ্ঠিত হয় শাখা সমিতিখনৰ গুৰুত্বপূৰ্ণ বাৰ্ষিক সভা। উক্ত সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ ৰাখে কেন্দ্ৰীয় সদস্যা বিশ্বনাথৰ মন্দিৰা ভৰালীয়ে। সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ অধ্যক্ষ ৰঞ্জীৱ শৰ্মা আৰু থ্ৰিফট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ ছ'চাইটীৰ অতিৰিক্ত কাৰ্যবাহী বিষয়া শ্যামল ইন্দু গগৈয়ে আই-মাতৃসকলৰ কৰণীয় সন্দৰ্ভত আলোচনা আগবঢ়ায়। ইফালে, মূল মঞ্চত সংস্কৃতি শাখাৰ অধিৱেশনত দ্বিতীয় বৰ্ষৰ অংকীয়া নাট সমাৰোহ আৰু সংস্কৃতি শাখাৰ বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰে। সভাখনত সভাপতিত্ব কৰে সংস্কৃতি শাখাৰ সভাপতি অজয় কুমাৰ দেওৰজাই। উদ্বোধন কৰে মূলৰ সদস্য সন্ত নাৰায়ণ ডেকাই। নিৰ্দিষ্ট বক্তাৰ ভাষণেৰে সকলোকে মোহিত কৰি ৰাখে মৰিগাঁও শংকৰী সংগীত বিদ্যালয়ৰ অধ্যক্ষ প্ৰসন্ন কুমাৰ মেধিয়ে। দ্বিতীয় দিনা অৰ্থাৎ আজি সাহিত্য শাখাৰ অধিৱেশনত পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা উপস্থিত থাকিব বুলি জিলা শাখাৰ সম্পাদক দিগন্ত মহন্তই জানিবলৈ দিয়ে। লগতে মৰিগাঁও জিলাৰ এই ৪৮ সংখ্যক বাৰ্ষিক অধিৱেশনখন ভাগৱত-সাংস্কৃতিক শোভাযাত্ৰাৰে দেওবাৰে সামৰণি পৰিব বুলি আদৰণী সমিতিৰ সম্পাদক ৰাণাকান্ত ডেকাই জানিবলৈ দিয়ে।

# চেলেংহাট প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱস, দিগন্ত হাজৰিকালৈ গ্ৰাম্য সাংবাদিকতা বঁটা

**ই-সংবাদ, মৰিয়নি, ৩১ জানুৱাৰীঃ** যোৰহাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী চেলেংহাট প্ৰেছ ক্লাবৰ আজি চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস। চেলেংহাট অঞ্চলৰ হালোৱা পথাৰ গাঁৱৰ ৰাইজৰ অতিথ্যত কাইলৈ দিবা-নৈশ কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগা প্ৰতিষ্ঠা দিৱসত পুৱা চেলেংহাট প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ হ'ব। এই উপলক্ষে স্থানীয় শিক্ষক উৎপল চুতীয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা সভাখন উদ্বোধন কৰিব জ্যেষ্ঠ সাংবাদিক তথা যোৰহাট জিলা আজুৰ সভাপতি যোগেশ ওজাই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰিব প্ৰাগ নিউজৰ উজনি অসমৰ ব্যুৰো চীফ উৎপল বৰাই। বিয়লি সাংস্কৃতিক অনুষ্ঠানৰ পিছতেই বিষ্ণুজ্যোতি সাংস্কৃতিক গোষ্ঠীৰ মহিলা শিল্পীসকলে মঞ্চস্থ কৰিব লগা "সীতাৰ পাতাল গমন" শীৰ্ষক মহাপুৰুষীয়া ভাওনা ভাগীৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। উক্ত উদ্বোধনী অনুষ্ঠানতবে প্ৰৱৰ্তন কৰা অৰুণোদয় বঁটা গৌৰীসাগৰৰ সাংবাদিক ৰাজীৱ দত্ত, শিক্ষা সৌৰভ বঁটা টীয়কৰ প্ৰতাপ শইকীয়া, উদ্যমী বঁটা চেলেংহাটৰ যুৱ উদ্যোগী বিশ্বজিত ফুকন আৰু সাহিত্য সৌৰভ বঁটা বিশিষ্ট ঔপন্যাসিকা আমগুৰিৰ জুৰি শইকীয়ালৈ আগবঢ়াইছে। উক্ত দিবা-নৈশ কাৰ্যসূচীৰ উদ্যোক্তাসকলে ৰাইজৰ সহযোগিতা কামনা কৰিছে। চেলেংহাট প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠা দিৱসৰ স্মাৰক গ্ৰন্থ প্ৰতিতী আৰু চেলেংহাট প্ৰেছ ক্লাবে প্ৰকাশ কৰা বিশিষ্ট নাট্যকাৰ পৰিচালক মুনিন্দ্ৰ গগৈৰ ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ ৰাঙলী বুঢ়ীৰ দান কবিতাৰ আলমত সৃষ্টি কৰা ঐতিহাসিক নাটক "বীৰ ৰঙামুৱা"ৰ নাট্য পাণ্ডুলিপি উন্মোচন কৰিব ক্ৰমে নকছাৰী মহাবিদ্যালয় অধ্যক্ষ উত্তম কুমাৰ বৰুৱা আৰু কবি উজ্জ্বল পাওগামে। চেলেংহাট প্ৰেছ ক্লাবে প্ৰথম বাৰৰ বাবে সমাজকৰ্মী তুষাৰ পালৰ উদ্যোগত প্ৰৱৰ্তন কৰা নগদ ৫০০০ টকা সম্বলিত "গ্ৰাম্য সাংবাদিকতা বঁটা" লাভ কৰা টীয়ক নিয়মীয়া বাৰ্তা কাকতৰ সাংবাদিক দিগন্ত হাজৰিকাক উক্ত মুকলি সভাতেই বঁটা প্ৰদান কৰিব চেলেংহাট প্ৰেছ ক্লাবে। উল্লেখ্য যে চেলেংহাট প্ৰেছ ক্লাবে প্ৰথমবাৰৰ বা

# মাজগাঁও উঃ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সম্মিলন

**ই-সংবাদ, বেবেজীয়া,৩১ জানুৱাৰীঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ শতবৰ্ষ গৰকা মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সম্মিলন খনি দিনযোৰা কাৰ্যসূচীৰে অহা ৯ ফেব্ৰুৱাৰী দেওবাৰে বিদ্যালয় প্ৰাংগণত আয়োজনৰ দিহা কৰা হৈছে। উক্ত সন্মিলনত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অকুণ্ঠ সহায় সহযোগিতা বিনম্ৰভাৱে কামনা কৰিছে উদ্‌যাপন সমিতিৰ সভাপতি গগন শৰ্মা আৰু সাধাৰণ সম্পাদক প্ৰাচুৰ্য্য কৌশিকে। কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ৮ বজাত পতাকা উত্তোলন, ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা, দুপৰীয়া প্ৰীতিভোজ, বিয়লি ১ বজাত সম্বৰ্ধনা অনুষ্ঠান, ২ বজাত মুকলি সভা আৰু নিশালৈ বাৰেৰবৰণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব।

# গিয়াছ উদ্দিনৰ কংগ্ৰেছ দলত যোগদান

**ই-সংবাদ, নগৰবেৰা, ৩১ জানুৱাৰীঃ** দক্ষিণ কামৰূপ জিলাৰ নৱ গঠিত ছমৰীয়া সমষ্টিৰ অন্তৰ্গত ৫২ নং কিছমত কাঠমী গাঁও পঞ্চায়ৰ প্ৰাক্তন সভাপতি গিয়াছ উদ্দিন আহমেদে কংগ্ৰেছ দলত যোগদান কৰে। কিছমত কাঠমী মণ্ডল কংগ্ৰেছৰ সভাপতি কলিম উদ্দিন আহমেদক আনুষ্ঠানিকভাৱে কংগ্ৰেছ দলত আঁকোৱালি লোৱা পৰিলক্ষিত হয়। উল্লেখ্য যে, প্ৰাক্তন সভাপতি গিয়াছ উদ্দিন আহমেদে যোৱা ২০২১ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভাৰতীয় জনতা পাৰ্টী দলত যোগদান কৰিছিল। বিধানসভা নিৰ্বাচনৰ পিছৰে পৰাই পুনৰ কংগ্ৰেছ দলৰ হৈ বিভিন্ন দলীয় কাম-কাজ আৰু সভা-সমিতিত জড়িত থাকি কাম কৰি থকা বুলি জানিবলৈ দিয়ে গিয়াছ উদ্দিন আহমেদে। অসম প্ৰদেশ কংগ্ৰেছৰ নিৰ্দেশত কালি কিছমত কাঠমী মণ্ডল কংগ্ৰেছৰ উদ্যোগত নাওভঙা বজাৰত মহাত্মা গান্ধীৰ ৭৮ সংখ্যক মৃত্যু তিথি পালন কৰে। এই উপলক্ষে নাওভাংগা আঞ্চলিক বজাৰ প্ৰাংগণত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰে। উক্ত মাল্যাৰ্পণ অনুষ্ঠানতেই কিছমত কাঠমী গাঁও পঞ্চায়তৰ মণ্ডল কংগ্ৰেছৰ সভাপতি কলিম উদ্দিন, সম্পাদক হেফজুৰ ৰহমান, কিছমত কাঠমী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি ছোলেমান আলীৰ লগতে গাঁও পঞ্চায়তৰ আন কেইবাগৰাকী কংগ্ৰেছ কৰ্মীৰ উপস্থিত গিয়াছ উদ্দিন আহমেদক আনুষ্ঠানিকভাৱে ফুলাম গামোচাৰে সম্বৰ্ধনা জনাই কংগ্ৰেছ দলত আঁকোৱালি লয়। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ছমৰীয়া ব্লক কিষাণ মৰ্চাৰ সম্পাদক ছুৰমান আলী, কামৰূপ জিলা কংগ্ৰেছ সেৱা দলৰ সম্পাদক জাবেদ আলী, কংগ্ৰেছৰ জ্যেষ্ঠ কৰ্মী মাইনুদ্দিন আহমেদ, মৰ্জিনা বেগম, মঞ্জু আহমেদকে ধৰি মণ্ডলৰ বিভিন্ন ছেলৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# কামপুৰত মে-ডাম-মে-ফি উদযাপন

**ই-সংবাদ, কামপুৰ, ৩১ জানুৱাৰীঃ** নগাঁও জিলা আহোম সভাৰ উদ্যোগত কামপুৰ আঞ্চলিক আহোম সভা আৰু স্থানীয় ৰাইজৰ সহযোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা মে-ডাম-মে-ফি উৎসৱটিৰ আজি সফল সামৰণি পৰে। তদুপলক্ষে কামপুৰ আহোম গাঁৱৰ মহাবীৰ লাচিত বৰফুকন ক্ষেত্ৰত কালি চাফাই অভিযান, বৃক্ষৰোপণ আৰু শিশুসকলৰ প্ৰতিভা সন্ধানী প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ পিছতে বিয়লি প্ৰতিনিধি পঞ্জীয়ন, প্ৰতিনিধি সভা আৰু সন্ধিয়া ফুৰা-লুং পূজা অনুষ্ঠিত কৰা হয়। আজি দ্বিতীয় অৰ্থাৎ অন্তিম দিনা পুৱা বন্তি প্ৰজ্বলন, খ্ৰীংফা উত্তোলন, স্মৃতিচাৰণ, মাল্যাৰ্পণ, মৈদাম তৰ্পণৰ অন্তত সমূহীয়া পূজা আৰু প্ৰাৰ্থনা কৰা হয়। তাৰ পাছতে টাই আহোমসকলৰ লগতে সকলো জনগোষ্ঠীয় লোক একত্ৰিত হৈ অঞ্চলটোত এক বৰ্ণিল শোভাযাত্ৰা উলিয়ায়। দুপৰীয়া নগাঁও জিলা আহোম সভাৰ সভাপতি ড০ দীনেশ হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা মুকলি সভাখন উদ্বোধন কৰে বিশিষ্ট শিক্ষাবিদ ঠগীত চন্দ্ৰ বৰাই। উক্ত মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সাংবাদিক ৰাজদীপ বাইলুং বৰুৱাই মে-ডাম-মে-ফিৰ তাৎপৰ্যৰ বিষয়ে আৰু ইতিহাস সমৃদ্ধ ভাষণৰ লগতে মুখপত্ৰ "হেংদাং" উন্মোচন কৰে।

# বাঘবৰত দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰৰ অনুজ্ঞাপত্ৰ বাতিলৰ দাবী প্ৰতিবাদকাৰীৰ

**ই-সংবাদ, কলগাছিয়া, ৩১ জানুৱাৰীঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত মইনবৰীৰ পৰা তাৰাকান্দিলৈ যোৱা বৰপেটা, বাঘবৰ আৰু চেঙা ক্ষেত্ৰীয় পথ সংমণ্ডল, ভাৰত চৰকাৰৰ গ্ৰাম্য বিকাশ মন্ত্ৰালয়ৰ দ্বাৰা আবণ্টিত পুঁজিৰ ধনেৰে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত প্ৰায় ৭২০.২৬ লাখ টকাৰে ৭.১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম যোৱা ১০/০৫/২০২১ ইং তাৰিখত আৰম্ভ কৰা হৈছিল আৰু ০৯/০১/২০২২ ইং তাৰিখত বিভাগীয় নিয়মানুসাৰে শেষ কৰিব লাগিছিল যদিও আজিলৈকে উক্ত কাম শেষ নোহোৱাত আজি পুৱাৰ ভাগতেই বৃহত্তৰ মইনবৰী অঞ্চলৰ শ শ ৰাইজ ওলাই আহে। উল্লেখ্য যে, যোৱা নিশা বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে ফেচবুক লাইভযোগে উক্ত পথটোৰ কাম সম্পূৰ্ণ নোহোৱাত ক্ষোভ প্ৰকাশ কৰে। তাৰ পিছতেই আজি পুৱাৰ ভাগতেই ৰাইজৰ প্ৰতিবাদে এক বিশেষ তাৎপৰ্য বহন কৰা পৰিলক্ষিত হৈছে। স্থানীয় ৰাইজে ঠিকাদাৰ গুণজিৎ নাথৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ শ্ল'গানেৰে প্ৰতিবাদ সাব্যস্ত কৰে আৰু ঠিকাদাৰ গুণজিৎ নাথৰ অনুজ্ঞাপত্ৰ বাতিল কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়। অতিশীঘ্ৰেই আন এজন ঠিকাদাৰৰ দ্বাৰা কামটো সম্পূৰ্ণ কৰিবলৈ প্ৰতিবাদকাৰী ৰাইজে চৰকাৰক দাবী জনাইছে।

# খলিহৈ বাথৌ মন্দিৰ সমন্বয় ক্ষেত্ৰত আই দেৱৰ আঃ বাথৌ সমিতিৰ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, দুমুনিচকী, ৩১ জানুৱাৰীঃ** দৰং জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তত থকা ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকী কুৰুৱা পথৰ খলিহৈ পথাৰ আৰু কুঁৱৰী গাঁৱৰ বাথৌ মন্দিৰ সমন্বয় ক্ষেত্ৰত খলিহৈ জনজাতি গাঁও উন্নয়ন সমিতিৰ সহযোগত আই দেৱৰ আঞ্চলিক বাথৌ সমিতিৰ ৩৭ সংখ্যক বাৰ্ষিক অধিৱেশন অহা ১ আৰু ২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। প্ৰকাশিত কাৰ্যসূচী অনুসৰি ১ ফেব্ৰুৱাৰীত পুৱা ৮ বজাত অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন, মুখ্যদ্বাৰ উন্মোচন, 'আদি গুৰু মৌনচিন-চি বৌৱাই'ৰ প্ৰতিমূৰ্তি উন্মোচন, অস্থায়ী থান উন্মোচন, দৌৰি -দৌচি জিৰণি কোঠা উন্মোচন, অতিথিশালা উন্মোচন, মূল মঞ্চ উন্মোচন, মাইনাও জিৰণি কোঠা উন্মোচন, বাথৌ শালীত পূজা-অৰ্চনা আদি কাৰ্যসূচীৰ পিছতে দিনৰ ১২ বজাত প্ৰতিনিধি পঞ্জীয়ন। ১ বজাত অনুষ্ঠিত হ'ব ধৰ্মীয় সাংগঠনিক আলোচনা চক্ৰ। আবেলি ৪ বজাৰ পৰা বাথৌ আৰজ আৰম্ভ হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু প্ৰতিনিধি সভাৰে অন্ত পৰিব প্ৰথম দিনৰ কাৰ্যসূচী। একেদৰে ২ ফেব্ৰুৱাৰীত পুৱা ৭ বজাত বাথৌ আৰজ আৰম্ভ, ধৰ্মীয় পতাকা উত্তোলন, ধৰ্মালোচনা সভা অনুষ্ঠিত হ'ব। দিনৰ ১২ বজাত স্মৃতিগ্ৰন্থ 'চৌৰাং নাগিৰানানৈ' উন্মোচনৰ পিছতে AAC/ABM সভাপতি পোহৰ চন্দ্ৰ বড়ো পৰিচালনাত অনুষ্ঠিত হ'ব মুকলি সভা। প্ৰাক্তন অধ্যক্ষ বল বাহাদুৰ ছেত্ৰীয়ে উদ্বোধন কৰিবলগীয়া মুকলি সভাত সাংসদ দিলীপ শইকীয়া, স্থানীয় বিধায়ক ড০ পৰমানন্দ ৰাজবংশী, গৱেষক বিজ্ঞানী ড০ সাগৰ ভট্টৰায় সহিতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব স্থানীয় যুৱ ব্যৱসায়ী ৰাতুল ভৰালীয়ে। নিশা আমন্ত্ৰিত শিল্পী বিৰাজ মুছাহাৰী গীতৰ শৰাই। ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে ৩৭ সংখ্যক বাৰ্ষিক অধিৱেশনৰ অভ্যৰ্থনা সমিতিয়ে। ইফালে, শুকুৰবাৰে ধৰ্মীয় ৰীতি-নীতিৰে বাথৌ ধৰ্মৰ প্ৰতীক সিজুগছ অস্থায়ী বাথৌ থানশালীত ৰোপণ কৰা হয়। এই কাৰ্যসূচীত আই দেৱৰ আঞ্চলিক বাথৌ সমিতিৰ প্ৰতিনিধি, স্থানীয় ৰাইজৰ লগতে আই মাতৃসকলে অংশগ্ৰহণ কৰে।

# কটহগুৰি মহাবিদ্যালয়লৈ 'নাক'ৰ বি গ্ৰেড

**ই-সংবাদ, বেৰেঙীয়া, ৩১ জানুৱাৰীঃ** নগাওঁ আৰু মৰিগাঁও জিলাৰ সীমান্তৰ বৃহত্তৰ টুকটুকী অঞ্চলৰ উচ্চ শিক্ষাৰ অগ্ৰণী প্ৰতিষ্ঠান কটহগুৰি মহাবিদ্যালয়ে লাভ কৰিলে বি গ্ৰেড। ফলত উৎফুল্লিত হৈ পৰিছে মহাবিদ্যালয়খনৰ অধ্যক্ষ, প্ৰৱক্তা, কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকল। সেয়ে এই শুভ সংবাদ পোৱাৰ পিছতেই মহাবিদ্যালয়খনৰ চৌহদত দেখা গল এক উৎসৱ মুখৰ পৰিৱেশ। আনকি মহাবিদ্যালয়খনৰ একাংশ প্ৰৱক্তা, কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে ফটকা ফুটাই, ঢোল বজাই নাচি-ভাগি আনন্দত আত্মহাৰা হৈ পৰে। আচলতে, নাকে মহাবিদ্যালয়খনৰ মূল্যায়ন আৰু স্বীকৃতি অনুশীলনৰ ফলাফলৰ প্ৰতিবেদন পৰীক্ষা কৰি স্বীকৃতিৰ ফলাফল ঘোষণা কৰিবলৈ কাৰ্যবাহী সমিতিয়ে গঠন কৰা স্থায়ী সমিতিৰ দ্বাৰা প্ৰক্ৰিয়া আৰু অনুমোদন জনাইছে মহাবিদ্যালয়খনক । চলিত বৰ্ষৰ ৩০ জানুৱাৰীৰ পৰা মহাবিদ্যালখনে আগন্তুক পাঁচ বছৰ বাবে বৈধ বি গ্ৰেডত সাত পইন্টৰ স্কেলত ২.৩৩ চি জি পিৰ স্বীকৃতি লাভ কৰিছে। উল্লেখ্য যে,মহাবিদ্যালয়খনত চলিত বৰ্ষৰ ২০ আৰু ২১ জানুৱাৰীত নাকে মূল্যায়ন আৰু স্বীকৃতি অনুশীলন কৰি গৈছিল। মহাবিদ্যালয়খনে এনে স্বীকৃতি লাভ কৰাত এতিয়া স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ খাইৰুল ইছলামকে প্ৰমুখ্য কৰি সকলো প্ৰৱক্তালৈ কৃতজ্ঞতা জনাইছে।

# গুৰুৰ আসন, মণিকূট আৰু কীৰ্তন ঘৰ প্ৰতিষ্ঠা অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ৩০ জানুৱাৰীঃ** ১৯৭৯ চনতে শ্ৰী শ্ৰী টুপিধৰদেৱ গোস্বামী আতাই নঙলামৰা ভকত গাঁৱৰ পৰা আহি শিৱসাগৰ জিলাৰ গেলেকী মৰাণবাৰীত স্থাপন কৰা সত্ৰ তথা কালক্ৰমত শ্ৰী শ্ৰী নৱ মাটি কাটনিপাৰ গেলেকী মৰাণবাৰী সত্ৰই সমগ্ৰ আঠখেল মৌজাতে আধ্যাত্মিক, সাংস্কৃতিক তথা বৌদ্ধিক দিশত জ্ঞানৰ পোহৰ বিলাবলৈ সক্ষম হৈছে। সম্প্ৰতি গেলেকী তথা সমগ্ৰ আঠখেল মৌজাৰ ৰাইজৰ দান-বৰঙণি তথা মৰাণ স্বায়ত্তশাসিত পৰিষদৰ পুঁজিৰে আৰু নাজিৰা সমষ্টিৰ বিধায়কৰ পুঁজিৰে সত্ৰভাগৰ মূল গুৰু আসন, মণিকূট, কীৰ্তন-ঘৰ, তোৰণ,বাটচ'ৰা, প্ৰস্ৰাৱগাৰ, স্নানাগাৰ, শৌচাগাৰ আদি সম্পূৰ্ণকৈ নতুনকৈ নিৰ্মাণ কৰা হৈছে। তদুপলক্ষে অহা ইংৰাজী ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰীত ভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে ।

# দুৰাবান্ধি বিল বিলাল জামে মছজিদ মহল্লাত ড্ৰাগছ মুক্ত অভিযান সফল হোৱাৰ দিশত

**ই-সংবাদ, মৈৰাবাৰী, ৩১ জানুৱাৰীঃ** যি সময়ত মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বহলাৰমুখ গাঁৱৰ ৰাইজে গাঁওখন ড্ৰাগছ মুক্ত কৰাৰ আৰু ড্ৰাগছ বেপাৰীক সামাজিকভাৱে বৰ্জনৰ কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ঠিক সেই সময়ত মৈৰাবাৰীৰ দুৰাবান্ধি বিল গাঁও অঞ্চলত একত্ৰিত ৰাইজৰ অশেষ প্ৰচেষ্টাত ড্ৰাগছ মুক্ত কৰাৰ অভিযান সফল হোৱাৰ দিশত আগবাঢ়িছে বুলি জানিব পৰা গৈছে। আজি মৈৰাবাৰী থানাৰ অন্তৰ্গত দুৰাবান্ধি বিল বিলাল মছজিদত অসামাজিক কাৰ্যকলাপ প্ৰতিৰোধী সমিতিৰ উদ্যোগত পৱিত্ৰ জুম্মাৰ দিনত অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে সজাগতা সভা সফলতাৰে সম্পন্ন হয়। সভাখনত অসামাজিক কাৰ্যকলাপ প্ৰতিৰোধী সমিতিৰ উপদেষ্টা ৰহম আলী আৰু মুহাদ্দিছ আব্দুল মান্নানে বিভিন্ন উদাহৰণ সহিতে বক্তব্য আগবঢ়াই ৰাইজক উৎসাহিত কৰা পৰিলক্ষিত হয়। সমিতিৰ সাধাৰণ সম্পাদক ছাব্বিৰ হুছেইনে সজাগতা সভাখনত চমু বক্তব্য আগবঢ়ায়। সভাখনত অসামাজিক কাৰ্যকলাপ প্ৰতিৰোধী সমিতিৰ শাখা কমিটীৰ দুজন বিষয়ববীয়াই তথ্য সহকাৰে প্ৰতিবেদন প্ৰকাশ কৰিছে যে গাঁওখন ড্ৰাগছ মুক্ত হোৱাৰ দিশত বহুখিনি আগবাঢ়িছে। কিন্তু মদ আৰু গাঞ্জা খোৱা ব্যক্তিৰ সংখ্যা হ্ৰাস হোৱা নাই।

# ৰামদিয়াত লেখিকা সান্তনা মেধিৰ 'মা'ৰ মৰমৰ আঁচল উন্মোচন

**ই-সংবাদ, হাজো, ৩১ জানুৱাৰীঃ** হাজোৰ সমীপৱৰ্তী ৰামদিয়াৰ নামপাৰাত আজি বিয়লি অনুষ্ঠিত হয় এখন গ্ৰন্থ উন্মোচনী সভা। ৰামদিয়াৰ শৈক্ষিক প্ৰতিষ্ঠান শঙ্কৰদেৱ শিশু বিদ্যা নিকেতন, ৰামদিয়াৰ আচাৰ্যা তথা এগৰাকী সু লেখিকা কবি সান্তনা মেধিৰ 'মা'ৰ মৰমৰ আঁচল শীৰ্ষক এখনি কাব্যগ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট বিজ্ঞানী তথা কৰ্কট ৰোগ বিশেষজ্ঞ ডাঃ বিকুল দাসে। আৰু নিৰ্দ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক ডঃ দিপুল কুমাৰ দাস। এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত অনুষ্ঠিত উন্মোচনী সভা খনত গীত পৰিৱেশন কৰে হেমন্ত ডেকা, বিনোদ ভাগৱতী আৰু ধৰ্মেশ্বৰ চক্ৰৱৰ্তীয়ে। সভাত উপস্থিত থাকে ৰামদিয়া জ্ঞানোদয় সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি কৈলাশ দাস, বিশিষ্ট সমাজকৰ্মী অতুল চন্দ্ৰ কাকতি, বিশিষ্ট কবি ভুপেন পাটোৱাৰী, সমাজকৰ্মী প্ৰফুল্ল ডেকা, নগেন দাস, যুৱ লেখক অৰূপ কাকতি আদি। উপস্থিত প্ৰতিজন সাহিত্যানুৰাগীয়ে প্ৰশংসাৰে উপচাই পেলাই লেখিকা, কবি সান্তনা মেধিক। শতাধিক সাহিত্যপ্ৰেমী উপস্থিত থকা সভা খনত শলাগৰ শৰাই আগবঢ়াই অজিত কুমাৰ মেধিয়ে। অসম সংগীতেৰে গ্ৰন্থ উন্মোচনী সভাৰ সামৰণি পৰে।

# চৰাইদেউ জিলা সাহিত্য সভাৰ তৃতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনৰ সামৰণি

**ই-সংবাদ, মথুৰাপুৰ, ৩১ জানুৱাৰীঃ** অসম সাহিত্য সভাৰ অন্যতম অগ্ৰণী জিলা সভা চৰাইদেউ জিলা সাহিত্য সভাৰ তৃতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনখনি জিলাখনৰ সদৰস্থিত সোণাৰি শাখা সাহিত্য সভা, শান্তিপুৰ শাখা সাহিত্য সভাৰ আতিথ্যত আৰু ৰাইজৰ সহযোগত কবিতা কোঁৱৰ অম্বেশ্বৰ চেতিয়া ফুকন সমন্বয় ক্ষেত্ৰত (সোণাৰি ৰাজহুৱা প্ৰেক্ষাগৃহ) ২৯ আৰু ৩০ জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি প্ৰথম দিনা আবেলি ২ বজাত জিলা সভাৰ অন্তিমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰা হয়। দ্বিতীয় দিনা কাৰ্যসূচী অনুসৰি পুৱা ৮.০০ বজাত মূল তোৰণ উদ্বোধন কৰে পদ্ম কুমাৰী বৰুৱা বালিকা উঃ মাঃ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ যোগেন দুৱৰীয়ে। পুৱা ৮.১০ বজাত প্ৰতিনিধি পঞ্জীয়ন কৰাৰ পাছতেই পতাকা উত্তোলন কৰে চৰাইদেউ জিলা সাহিত্য সভাৰ সভাপতি নিৰঞ্জন ফুকনে। পুৱা ৯.১৫ বজাত স্মৃতি তৰ্পণ কৰে চৰাইদেউ জিলা সাহিত্য সভাৰ উপ-সভাপতি ভীমবৰ পাতিৰিয়ে। পুৱা ১০.৩০ বজাত প্ৰতিনিধি সভা অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে, চৰাইদেউ জিলা সাহিত্য সভাৰ গত ১৫ ডিচেম্বৰৰ কাৰ্যনিৰ্বাহক সভা আৰু 'চৰাইদেউ জিলা সাহিত্য সভা নিৰ্বাচনী সমিতি'ৰ গত ৭ জানুৱাৰীৰ সভাৰ সিদ্ধান্ত মৰ্মে অসম সাহিত্য সভাৰ সংবিধানৰ নিৰ্বাচনী অধিনিয়ম (২)-ৰ উপবিধি (৩)-ৰ আধাৰত চৰাইদেউ জিলা সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যকালৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদক পদৰ বাবে নিৰ্বাচনী অধিসূচনা জাৰি কৰা হৈছিল। সেই অধিসূচনাৰ আধাৰত সভাপতি হিচাপে মুকুট বৰগোহাঁই আৰু সম্পাদক বিপুল বৰুৱাক নিৰ্বাচিত কৰা হয় যদিও উপ-সভাপতি পদত দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছিল। ইয়াৰ মাত্ৰ এগৰাকীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। কিন্তু দুৰ্ভাগ্যজনকভাৱে সাংবিধানিক বিধি অনুসৰি উপ-সভাপতি পদৰ প্ৰাৰ্থীগৰাকীৰ বয়সৰ বিসংগতি হোৱাত মনোনয়ন পত্ৰ বাতিল কৰা হয়। গতিকে নিৰ্বাচনী সমিতিয়ে উপ-সভাপতি পদৰ বাবে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় নিৰ্বাচনী বিষয়াৰ নিৰ্দেশ অনুসৰি পুনৰ অধিসূচনা জাৰি কৰিছিল যদিও জিলাখনৰ কোনেও মনোনয়নপত্ৰ সংগ্ৰহ নকৰাত প্ৰতিনিধি সভাৰ সিদ্ধান্ত অনুসৰি বিৰেন চেতিয়াক চৰাইদেউ জিলা সাহিত্য সভাৰ উপ-সভাপতি হিচাপে নিৰ্বাচন কৰে। দিনৰ ১২.৩০ বজাত মুকলি সভা অনুষ্ঠিত কৰা হয়। চৰাইদেউ জিলা সাহিত্য সভা আৰু আদৰণি সমিতিৰ সম্পাদক বিপুল বৰুৱাই আঁত ধৰা সভাত পৌৰোহিত্য কৰে চৰাইদেউ জিলা সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি মুকুট বৰগোহাঁয়ে। সোণাৰি মহাবিদ্যালয়ৰ অধ্যাপক ড০ সুনীল দত্তই উদ্বোধন কৰা সভাত অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক ড০ ৰঘুনাথ কাগয়ুঙে জিলা সভাৰ মুখপত্ৰ 'এষণা' আৰু 'বাৰ্তা' উন্মোচন কৰাৰ লগতে চৰাইদেউ জিলা সাহিত্য সভাৰ ইতিহাস উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মাখনী গোস্বামীৰ শিশু উপযোগী গ্ৰন্থ 'মৌ-কোঁহ' উন্মোচন কৰে।

# চতিয়াত উদযাপন মে-ডাম-মে-ফি

**ই-সংবাদ, চতিয়া, ৩১ জানুৱাৰীঃ** বিশ্বনাথ জিলা চতিয়াৰ বীৰাংগনা মূলা গাভৰু মৈদামত আহোম জাতীয় মহাসভাই কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰে মে ডাম মে ফি। পুৱাই পতাকা উত্তোলন কৰে আহোম জাতীয় মহাসভাৰ সভাপতি সুন্দৰ জ্যোতি লাহনে। পতাকা উত্তোলনৰ পিছতে পূৰ্বপুৰুষসকলক স্মৰণ কৰি পূজা আৰম্ভ কৰে আহোম জনগোষ্ঠীয় লোকসকলে। অনুষ্ঠানত ন-দুৱাৰৰ বিধায়ক পদ্ম হাজৰিকা আৰু বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে অংশ গ্ৰহণ কৰে। ১৫৩২ চনত হোৱা ডিকৰাই মুখৰ ৰণত মোগলৰ সেনাপতি তুৰ্ব্বকৰ বিৰুদ্ধে যুঁজি দেশৰ হকে প্ৰাণ আহুতি দিছিল বীৰাংগনা মূলাগাভৰুৱে আৰু মূলাগাভৰুৰ সমাধি ক্ষেত্ৰ চতিয়াৰ চলাহোলাত আছে বুলি বিশ্বাস কৰে অঞ্চলটোৰ ৰাইজে। মৃত্যুৰ পিছত বীৰাংগনা মূলাগাভৰুক চতিয়াৰ চোলাহোলাত সমাধিস্থ কৰা হৈছিল বুলি অঞ্চলটোৰ ৰাইজে বিশ্বাস কৰে আৰু এই মূলাগাভৰুৰ মৈদাম ক্ষেত্ৰতেই আজি আহোম জাতীয় মহাসভাই কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰে আহোমসকলৰ পৱিত্ৰ মেডাম মে ফি। ইতিমধ্যে অসম চৰকাৰেও এই মৈদাম সংৰক্ষণৰ বাবে ৪০ লাখ টকা ঘোষণা কৰিছে বুলি স্থানীয় বিধায়কে জানিবলৈ দিছে।

# কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ধুবুৰী সমিতিৰ সাধাৰণ সম্পাদকক বহিস্কাৰ

**ই-সংবাদ, গোলকগঞ্জ, ৩১ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জস্থিত অবিভক্ত গোৱালপাৰা আক্ৰাছুৰ মুখ্য কাৰ্যালয়ত আক্ৰাছুৰ জিলা সমিতিৰ বিভিন্ন বিষয়ববীয়াৰ উপস্থিতিত কালি এখন জৰুৰী সভা অনুষ্ঠিত হয়। সভাত সংগঠনৰ সংবিধান বিৰোধী কাম কৰাৰ বাবে জিলাৰ সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ ৰায়ক তৎকালীনভাৱে দলৰ পৰা বহিস্কাৰ কৰে। উল্লেখ্য যে, ২১ জানুৱাৰীত সন্মিলিত মঞ্চৰ আহ্বানত 'অসম তথা কামতাপুৰ বন্ধ'ত অবিভক্ত গোৱালপাৰা আক্ৰাছু নৈতিক সমৰ্থন জনাইছিল। কিন্তু ধুবুৰী জিলা আক্ৰাছুৰ সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ ৰায়ে দলীয় কোনো ধৰণৰ অনুমতি নোলোৱাকৈ ১৮ জানুৱাৰীত অসমৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাৰ লগত আলোচনাত মিলিত হৈ বন্ধ প্ৰত্যাহাৰ কৰা বুলি সামাজিক মাধ্যম যোগে প্ৰচাৰ কৰিছিল। তেওঁৰ এনে একনায়কত্ববাদে সংগঠনৰ ভাবমূৰ্তি বিনষ্ট কৰাৰ লগতে অবিভক্ত গোৱালপাৰা আক্ৰাছু তথা কোচ ৰাজবংশী জনগোষ্ঠীটোকে জনমানসত হেয় প্ৰতিপন্ন প্ৰতিপন্ন কৰিছে। এই সন্দৰ্ভত ২২ জানুৱাৰীত জিলা সমিতিৰ তৰফৰ পৰা প্ৰদীপ কুমাৰ ৰায়ক ৪৮ ঘণ্টাৰ সময়সীমা নিধাৰ্য্যণ কৰি স্পষ্টীকৰণ বিচাৰিছিল। স্পষ্টীকৰণ নিদি ওলোটাই ৰাইজক বিপথে পৰিচালিত কৰিবলৈ অবিভক্ত গোৱালপাৰা আক্ৰাছুৰ নামত ছ'চিয়াল মিডিয়াত তথা নিউজ প'ৰ্টেলত বদনাম কৰে। অবিভক্ত গোৱালপাৰা আক্ৰাছুৰ সংবিধান উলংঘা কৰি বিভিন্ন অসামাজিক কামত লিপ্ত হোৱাৰ উপৰি আক্ৰাছুৰ নামত বিভিন্ন অনুষ্ঠানৰ পৰা দান-বৰঙণি আদায় কৰি বিত্তীয় কেলেংকাৰি সংঘটিত কৰা বুলি প্ৰেছ বিজ্ঞপ্তিত জিলা সভাপতি অমিত্য ৰায়ে প্ৰকাশ কৰে।

# মুকালমুৱাৰ আদাট্টাৰীস্থিত নৱৰাত্ৰি দুৰ্গা মন্দিৰৰ মণিকূটৰ পুনঃনিৰ্মাণৰ শিলান্যাস

**ই-সংবাদ, মুকালমুৱা, ৩১ জানুৱাৰীঃ** মুকালমুৱাৰ আদাট্টাৰীস্থিত নৱৰাত্ৰি দুৰ্গা মন্দিৰৰ মণিকূটৰ পুনৰ্নিৰ্মাণৰ আজি শিলান্যাস কৰা হয়। শ্ৰীশ্ৰী মদ নিত্যানন্দ ব্ৰহ্মচাৰীয়ে ১৯৬৬ চনত প্ৰতিষ্ঠা কৰা নৱৰাত্ৰি দুৰ্গা মন্দিৰৰ মণিকুটটোৰ আজি পুনৰ্নিৰ্মাণ কৰাৰ উদ্দেশ্যৰে ভূমিপূজন আৰু শিলান্যাস কৰে। পুৰোহিতৰ মন্ত্ৰোচ্ছাৰণেৰে পুৱা মাংগলিক কাৰ্যসূচীৰে শিলান্যাস কৰে মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ মনোজ কুমাৰ গোস্বামীয়ে। মন্দিৰ পৰিচালনা সমিতিৰ অন্যতম সদস্য ব্ৰজেন শৰ্মাই আঁত ধৰা শিলান্যাস অনুষ্ঠানত বৰক্ষেত্ৰী অঞ্চলৰ বিভিন্ন প্ৰান্তৰ আধ্যাত্মিকতাৰে পৰিপুষ্ট ব্যক্তিসকল উপস্থিত থাকে। ৰাইজৰ দান-বৰঙণিৰে পুনৰ্নিৰ্মাণ কৰিবলৈ ওলোৱা মণিকূটটো নিৰ্মাণৰ বাবে বিভিন্ন স্তৰৰ ৰাইজৰ আৰ্থিক সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে অৱসৰপ্ৰাপ্ত শিক্ষক তথা মন্দিৰ পৰিচালনা সমিতিৰ সদস্য ব্ৰজেন শৰ্মাই। উল্লেখ্য যে আদাট্টাৰীস্থিত নৱৰাত্ৰি দুৰ্গা মন্দিৰত প্ৰতিবছৰে শুক্ল প্ৰতিপদ তিথিৰ পৰা কেৱল আধ্যাত্মিকতাক সৰোগত কৰি ধৰ্মীয় ৰীতি-নীতিৰে ৯ দিনীয়াকৈ অনুষ্ঠিত কৰি অহা দুৰ্গা পূজাৰ কুমাৰী পূজাত দেশ-বিদেশৰ হাজাৰ হাজাৰ ভক্তৰ সমাগম হয়।

# ১৬৮২ নং উত্তৰ ৰামপুৰ ছোৱালী প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ অনিয়মীয়া উপস্থিতি

**ই-সংবাদ, কলগাছিয়া, ৩১ জানুৱাৰীঃ** অসমত শাসনাধিষ্ঠিত বিজেপি চৰকাৰে শিক্ষা বিভাগ অধিক উন্নত কৰা, সময়ে সময়ে শিক্ষকসকলক সময়োপযোগী বিজ্ঞানসন্মত শিক্ষাদান দিয়াৰ বাবে বিভিন্ন ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিয়মীয়া উপস্থিতি বাধ্যতামূলক কৰি দিছে যদিও একাংশ শিক্ষকে চৰকাৰৰ এই নিৰ্দেশৰ প্ৰতি কোনো ধৰণৰ কাণসাৰ দিয়া নাই। বৰপেটা জিলাৰ ৰূপসী প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত ১৬৮২ নং উত্তৰ ৰামপুৰ ছোৱালী প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ অনিয়মীয়া উপস্থিতিয়ে ৰাইজৰ চকু কপালত তুলিছে। জানিবলৈ দিয়া মতে, প্ৰধান শিক্ষক আয়নাল হক দেৱান চৰকাৰী নিৰ্দেশনাক বুঢ়া আঙুলি দেখুৱাই নিজৰ খেয়াল খুচি মতে বিদ্যালয় চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে, প্ৰধান শিক্ষকজনে বিদ্যালয়ত উপস্থিত হৈ অনাই বনাই সঘনাই ঘূৰি ফুৰা বুলি অভিযোগ উত্থাপিত হৈছে। উক্ত বিষয় সন্দৰ্ভত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিয়ে ইয়াৰ বিৰুদ্ধে মাত মাতিলে প্ৰধান শিক্ষকে কোনো ধৰণৰ কাণসাৰ নিদিয়াৰ আন এক অভিযোগ উত্থাপিত হৈছে।

# কাৰাটে চেম্পিয়নশ্বিপ ৫টা স্বৰ্ণ জয় পশ্চিম নলবাৰীৰ

**ই-সংবাদ, নলবাৰী, ৩১ জানুৱাৰীঃ** পাঁচটাকৈ স্বৰ্ণ পদককে ধৰি মুঠ ২৮টাকৈ পদকেৰে সদ্যসমাপ্ত আন্তঃৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত উজলি উঠিছে পশ্চিম নলবাৰীৰ কেইবাগৰাকীও কাৰাটে খেলুৱৈ। আনহাতে, একেখন প্ৰতিযোগিতাতেই নলবাৰীৰ জিজ্ঞাসী শৰ্মা লাভ কৰিবলৈ সক্ষম হয় 'বেষ্ট অফ দ্য বেষ্ট' খেলুৱৈৰ সন্মান। জানিব পৰা মতে সদ্যসমাপ্ত তৃতীয় নেতাজী কাপ আন্ত:ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত পশ্চিম নলবাৰীৰ বেলশৰৰ পৰা নাতিদূৰৈত অৱস্থিত পানীগাঁৱৰ 'কাৰাটে ডু একাডেমী'ৰ ২৯জনীয়া খেলুৱৈৰ দল এটাই অংশগ্ৰহণ কৰি ৫টা স্বৰ্ণপদকৰ বাদেও ১০টা ৰূপৰ পদক আৰু ১৩টা ব্ৰঞ্জৰ পদক লাভ কৰে। আনহাতে, জিজ্ঞাসা শৰ্মাই একেখন প্ৰতিযোগিতাতেই আন এক ঈৰ্ষণীয় সফলতা লাভ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে জিজ্ঞাসা শৰ্মাই ছোৱালীৰ ৬০ কেজি শাখাত ভাগ লৈ 'বেষ্ট অফ দ্য বেষ্ট' খেলুৱৈৰ সন্মান লাভ কৰে। এওঁলোকৰ সফলতাক লৈ এতিয়া উৎফুল্লিত পশ্চিম নলবাৰীৰ ক্ৰীড়ামোদী। আনকি প্ৰতিযোগিতাখনত স্বৰ্ণপদক লাভ কৰা 'কাৰাটে ডু একাডেমী'ৰ খেলুৱৈসকলক 'ৰাৰিয়ৰ্ছ'ৰ নলবাৰী জিলা সমিতিৰ তৰফৰ পৰা উষ্ম সম্বৰ্ধনাও জনোৱা হয়। উল্লেখ্য যে যোৱা ২৪আৰু -২৫ জানুৱাৰীত গুৱাহাটীৰ ডিটিআৰপি ইণ্ডোৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈছিল নেতাজী কাপ আন্ত:ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ।

# আন্তঃজিলা মাষ্টাৰ্ছ গেমছত দৰঙৰ সাফল্য

**ই-সংবাদ, খাৰুপেটীয়া, ৩১ জানুৱাৰীঃ** ঢেকীয়াজুলীত ২৯-৩০ জানুৱাৰীত অনুষ্ঠিত ষষ্ঠদশ আন্তঃজিলা মাষ্টাৰ্ছ গেমছ প্ৰতিযোগিতাত দৰঙে মুঠ ১৭টা পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ ভিতৰত সোণ ৬টা, ৰূপ ৫টা আৰু ৬টা ব্ৰঞ্জ পদক। পূৰবী ডেকাই ১০০মিঃ, ২০০মিঃ দৌৰত সোণ, দীঘল জাম্পত ৰূপ, পুতুলী শইকীয়াই দীঘল জাম্পত ৰূপ, ডিছকাছ আৰু জেভেলিন থ্ৰ'ত ব্ৰঞ্জ, পূৰ্ণিমা ডেকাই ৩কিঃমিঃ খোজকঢ়াত সোণ, দীঘল জাম্পত ব্ৰঞ্জ, ট্ৰিপল জাম্পত ৰূপ, ৰিণা ডেকাই ৩কিঃমিঃ খোজকঢ়া আৰু দীঘল জাম্পত ব্ৰঞ্জ, ২০০মিটাৰ দৌৰত ৰূপৰ পদক, নিজৰা ডেকাই শ্বটপুট আৰু ডিছকাছ থ্ৰ'ত সোণ, হাম্মাৰ থ্ৰ'ত ৰূপ, বিনিতা কলিতাই ২০০মিটাৰ দৌৰত সোণ আৰু দীঘল জাম্পত ব্ৰঞ্জৰ পদক লাভ কৰে।



কোৱাল্লালমপুৰত অনুষ্ঠিত ১৯অনুৰ্ধ্ব মহিলা বিশ্বকাপৰ ছেমিফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে জি কমলিনীৰ অৰ্ধশতক

# ইংলেণ্ডক হৰুৱাই ১৯ অনুৰ্ধ্ব মহিলা বিশ্বকাপৰ ফাইনেলত ভাৰত

**কোল্লালামপুৰ, ৩১ জানুৱাৰীঃ** ১৯ অনুৰ্ধ্ব মহিলা বিশ্বকাপত অধিপত্য অব্যাহত আছে ভাৰতীয় মহিলা দলৰ। দুৰ্দান্ত প্ৰদৰ্শনেৰে এখনো মেচত পৰাজিত নোহোৱাকৈ ভাৰতীয় দলটোৱে প্ৰৱেশ কৰিছে ফাইনেলত। গ্ৰুপ পৰ্যায় আৰু ছুপাৰ ছিক্সৰ প্ৰতিখন খেলতে জয়লাভ কৰি ভাৰতীয় দলটোৱে ছেমি ফাইনেলত প্ৰৱেশ কৰে। অৱশ্যে ছেমিফাইনেলতো তেওঁলোকৰ আধিপত্য অব্যাহত থাকে। শক্তিশালী ইংলেণ্ডৰ বিৰুদ্ধে একপক্ষীয় যুঁজত ভাৰতৰ মহিলা দলটোৱে বিজয় আজুৰি আনিবলৈ সক্ষম হয়। বৈষ্ণৱী শৰ্মা আৰু পাৰুণিকা ছিছ'দিয়াৰ বিধ্বংসী বলিঙৰ সন্মুখত মাত্ৰ ১১৩ ৰানতে ইনিংছ সামৰিবলগীয়া হয় ইংলেণ্ডে। ইয়াৰ পিছতে মাত্ৰ ১৫ অভাৰতে এটা উইকেটৰ বিনিময়ত লক্ষ্যত উপনীত হয় ভাৰত। খেলখনত অ'পেনাৰ জি কমলিনীয়ে অৰ্ধশতক অৰ্জন কৰে। ছেমিফাইনেলৰ খেলখনত ইংলেণ্ডে টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। দলটোৰ আৰম্ভণিয়ে কিছু গতি লাভ কৰে যদিও ভাৰতীয় স্পিনাৰৰ সন্মুখত বিধ্বস্ত হৈ পৰে দলটোৰ বেটিং লাইনআপ। মাত্ৰ পাঁচ অভাৰতে পাৰুণিকা ছিছ'দিয়াই জেমিমা স্পেন্স আৰু ট্ৰুডি জনছনক পেভিলিয়নৰ বাট দেখুৱাই মেচখনত ভাৰতৰ অধিপত্য নিশ্চিত কৰে। ইয়াৰ পিছতে ডেভিনা পেৰিন আৰু অধিনায়ক এবি নৰ্গ্ৰ'ভে চতুৰ্থ উইকেটত ৪৪ ৰানৰ অংশীদাৰিত্ব গঢ়ি দলটোৰ নিয়ন্ত্ৰণ ল'বলৈ চেষ্টা কৰে। কিন্তু আয়ুষী শুক্লাৰ হাতত ৪০ বলত ৪৫ ৰান কৰি পেৰিন আউট হয়। অধিনায়ক নৰ্গ্ৰ'ভেও ৩০ ৰান সংগ্ৰহ কৰি পেভিলিয়নলৈ উভতিবলগীয়া হয়। তাৰ পাছত বৈষ্ণৱী শৰ্মাই দুৰ্দান্ত প্ৰদৰ্শনেৰে একেটা অভাৰতে তিনিটা উইকেট দখল কৰি ইংলেণ্ডৰ কিঞ্চিৎ আশাকণো কাঢ়ি আনে। যাৰ পৰিণতিত নিৰ্ধাৰিত অভাৰত মাত্ৰ ১১৩ ৰানতে ৮ উইকেট হেৰুৱাই ইনিংছ সামৰে ইংলেণ্ডে। প্ৰত্যুত্তৰত ভাৰতীয় অ'পেনাৰদ্বয়ে বেটিং কৰিবলৈ আহি আৰম্ভণিৰে পৰাই আগ্ৰাসীভাৱে খেল দেখুৱায়। অ'পেনাৰ গংগাড়ী তৃষা আৰু জি কমলিনীয়ে ৬০ ৰান সংযোজন কৰে। তৃষাই ২৯টা বলত ৩৫ ৰান সংগ্ৰহ কৰি আউট হয় আনহাতে জি কমলিনীয়ে ৫০টা বলত অপৰাজিত ৫৬ ৰান কৰি অপৰাজিত হৈ ৰয়। তেওঁৰ সৈতে ১১ ৰানত অপৰাজিত হৈ থাকে ছানিকা চালকে। উল্লেখ্য যে, এইবাৰ ফাইনেলত ভাৰতৰ প্ৰতিদ্বন্দ্বী হব আয়োজক দক্ষিণ আফ্ৰিকা। ছেমি ফাইনেলত অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে দক্ষিণ আফ্ৰিকা। অহা ২ ফেব্ৰুৱাৰী অৰ্থাৎ দেওবাৰে অনুষ্ঠিত হ'ব খিতাপৰ যুঁজ।

# নগাঁৱত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ, শ্বাইন'ছ প্লেয়াৰ্ছৰ জয়লাভ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৩১ জানুৱাৰীঃ** অসম ক্ৰিকেট সন্থাৰ সপ্তম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেটৰ প্ৰথম ৰাউণ্ডৰ খেলৰ লগত সংগতি ৰাখি নগাঁও ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা এ এন কিড'ৱাই ট্ৰফী (ক্লাষ্টাৰ-১) ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত শ্বাইন'ছ প্লেয়াৰ্ছে বঢ়মপুৰ স্প'ৰ্টছ ক্লাবক ২২ ৰাণত পৰাজিত কৰে। খেলখনত শ্বাইন'ছ প্লেয়াৰ্ছে টছত জিকি পোনতে বেট ধৰি ৰাজীৱ কৰ্মকাৰৰ-৩৪, হুমায়ুন ৰছিদ আহমেদৰ-২৮, আখটাৰ আলিৰ-১৮, ধন মেধিৰ অপৰাজিত-১৪, গীতাৰ্থ বৰাৰ-১৩ আৰু ইজাজ আহমেদৰ-১১ ৰাণৰ উল্লেখনীয় অৱদানৰে ৩০.৩ অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত ১৫১ ৰান সংগ্ৰহ কৰে। বলিঙত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবৰহৈ মহম্মদ জেহিৰুল ইছলামে চাৰিটা, প্ৰসেনজিৎ দে সৰকাৰ আৰু কমল সিংহই দুটাকৈ, কামৰাণ আকমল আৰু ৰাজদ্বীপ ভাৰালে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত বঢ়মপুৰ স্প'ৰ্টছ ক্লাব দলটোৱে প্ৰসেনজিৎ দে সৰকাৰৰ-৩০, কমল সিংহৰ-২৫ আৰু গোলাপ সিংহৰ-২০ ৰাণৰ উল্লেখীয় বৰঙনি স্বত্বেও ২৫.৪ অভাৰত ১২৯ ৰাণ সংগ্ৰহ কৰোতেই আটাইকেইটা উইকেট হেৰুৱাবলগীয়াত পৰে। বলিঙত শ্বাইন'ছ প্লেয়াৰ্ছৰহৈ হুমায়ুন ৰছিদ আহমেদ আৰু আখটাৰ আলিয়ে তিনিটাকৈ, ধন মেধিয়ে দুটা আৰু ৰাজীৱ কৰ্মকাৰে এটা উইকেট দখল কৰে। বিশ্বজিত বৰ্ধন আৰু ৰজত বৰদলৈ আম্পায়াৰৰূপে থকা খেলখনৰ অন্তত শ্বাইন'ছ প্লেয়াৰ্ছৰ হুমায়ুন ৰছিদ আহমেদক হেমন্ত মেধিয়ে প্লেয়াৰ অব দ্যা মেচৰ বঁটা বিতৰণ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি